

# ভাৰতত স্বেচ্ছাসেৱী ক্ষেত্ৰটোৰ কাৰণে অনুকূল পৰিৱেশ গঢ়ি তোলাৰ দিশত -এটি সমীক্ষাৰ প্ৰতিৱেদন

VANI
Celebrating 30 years
VOICE OF THE VOLUNTARY SECTOR

Civic Engagement Alliance

ভলাণ্টৰী একশ্বন নেটৱাৰ্ক ইণ্ডিয়া (VANI)

ভাৰতত স্বেচ্ছাসেৱী ক্ষেত্ৰটোৰ কাৰণে অনুকূল পৰিৱেশ গঢ়ি তোলাৰ দিশত
-এটি সমীক্ষাৰ প্ৰতিবেদন

মাৰ্চ 2018

কপিৰাইট @ ভলান্টৰী একশ্বন নেটৱাৰ্ক ইণ্ডিয়া
প্ৰকাশৰ অনুমতিক্ৰমে এই কিতাপখনক সম্পূৰ্ণ ৰূপে বা আংশিকভাৱে পুনৰুত্পাদন কৰিব পৰা যাব।

সহায়ক: চিভিক এংগেজমেন্ট এলায়েন্স

**প্ৰকাশক:**

VOLUNTARY ACTION NETWORK INDIA (VANI)
VANI HOUSE, 7 PSP Pocket, Sector-8, Dwarka,
New Delhi 110 077
Phone: 011 – 403 91661, 403 91663
Telefax: 011 – 49148610
E-mail: info@vaniindia.org
Website: www.vaniindia.org

**মুদ্ৰণ:** Print Wrld # 9810185402
E-mail:printworld96@gmail.com

# ভাৰতত স্বেচ্ছাসেৱী ক্ষেত্ৰটোৰ কাৰণে অনুকূল পৰিৱেশ গঢ়ি তোলাৰ দিশত -এটি সমীক্ষাৰ প্ৰতিৱেদন

Voluntary Action Network India ( VANI )
VANI HOUSE, 7 PSP Pocket, Sector-8, Dwarka,
New Delhi 110 077
Phone: 011 – 403 91661, 403 91663
Telefax: 011 – 49148610
E-mail: info@vaniindia.org
Website: www.vaniindia.org

# সূচীপত্ৰ

পাতনি ........................................................ 03

কাৰ্যকৰী সাৰাংশ ............................................ 05

সমীক্ষাৰ প্ৰকাৰ ............................................. 07

প্ৰথম বিভাগ: পৃষ্ঠভূমি ...................................... 09

দ্বিতীয় বিভাগ: বিধায়িনী পৰিষদ আৰু স্বেচ্ছাসেৱী ক্ষেত্ৰ..... 12

তৃতীয় বিভাগ: কি কি প্ৰত্যাহ্বানৰ মুখত পৰিবলগীয়া হৈছে.. 30

চতুৰ্থ বিভাগ: সন্মুখলৈ অগ্ৰগতি.................................. 36

# পাতনি

স্বেচ্ছাসেৱী ক্ষেত্ৰটো এসময়ত চৰকাৰৰ অংশীদাৰ আছিল আৰু দ্ৰুতগতিৰ পৰিৱেশত লহপহকৈ বাঢ়ি গৈছে, এতিয়া ই দীন হীন অৱস্থাত আছে, ইয়াৰ প্ৰতি দেখা দিছে ভাবুকি আৰু ই এতিয়া নিমাত হৈ আছে! যোৱা কেই বছৰ ধৰি এই ক্ষেত্ৰটো বিভিন্ন কাৰণত বৰ দুশ্চিন্তাত আছে। যেনে নাগৰিক পৰিসৰ সংকুচিত হৈ যোৱা, আওপুৰণি আইন, কঠোৰ নিয়মৰ গাঁথনি আৰু সংবাদ মাধ্যমত ইয়াৰ বিৰুদ্ধে নেতিবাচক ভাৱমূৰ্তিৰ প্ৰচাৰ। এইবোৰ দুৰ্দশাৰ লগতে আগৰেপৰা আন কিছুমান প্ৰত্যাহ্বান আগৰেপৰা আছে, যিবোৰৰ কাৰণে অতি প্ৰত্যন্ত অঞ্চলৰ মানুহলৈ সুবিধা কঢ়িয়াই লৈ যাওঁতে অনবৰতে সংগ্ৰাম চলাই লৈ যাবলগীয়া হৈছে। লগতে আছে ধন, মানৱ সম্পদ আৰু কাৰিগৰী সমলৰ সংকট।

গোটেই ভাৰতৰ স্বেচ্ছাসেৱী সংগঠনসমূহৰ শীৰ্ষ সংগঠন VANI এই সমস্যাবোৰৰ কথা আগতেই প্ৰকাশ কৰি আহিছে, কেৱল সেয়াই নহয়, অত্যাৱশ্যকীয় প্ৰয়োজনসমূহ পূৰণৰ বাবে সময়ে সময়ে নিজে হস্তক্ষেপ কৰি সমাধানো আগবঢ়াইছে। এই ক্ষেত্ৰটো কি কি সমস্যাত ভুগি আছে আৰু লগতে ইয়াৰ কি কি নতুন নীতি আছে, সেইবোৰ সম্বন্ধে অৱগত কৰোৱাৰ কাৰণে VANI-য়ে চৰকাৰ আৰু নীতি নিৰ্ধাৰকসকলৰ লগত আলোচনাও চলাই আহিছে। আনহাতে ই স্বেচ্ছাসেৱা সগঠনসমূহৰ সক্ষমতা বৃদ্ধিৰ কামতো যুক্ত হৈ আছে। ইয়াৰ কাৰণে সিহঁতে স্বেচ্ছাসেৱী সংগঠনসমূহক এই বিষয়ত অৱগত কৰোৱাই আহিছে যে, সমসাময়িক কালত কি কি নতুন আইন বলবৎ হৈছে, লগতে ধন সংগ্ৰহৰ বিকল্প পথ বিচাৰি উলিওৱাৰ কাৰণে স্বেচ্ছাসেৱা সংগঠনসমূহক উচ্চমানৰ দায়বদ্ধতা আৰু স্বচ্ছতা অবলম্বন কৰাৰ কাৰণে উৎসাহিত কৰিছে।

স্বেচ্ছাসেৱী সংগঠনসমূহৰ বিধিবদ্ধ প্ৰয়োজনীয়তাৰ দিশটোত যোৱা দুই বছৰে গুৰুত্বপূৰ্ণ পৰিৱৰ্তন দেখিবলৈ পোৱা গৈছে। 2016 চনত প্ৰথম স্বেচ্ছাসেৱী সংগঠনসমূহে সম্পূৰ্ণ অনলাইন ডিজিটেল মাধ্যমৰ জৰিয়তে তেওঁলোকৰ FCRA পুনৰ্নৱীকৰণৰ কাৰণে আৱেদন কৰিবলগীয়া হৈছিল। কিন্তু এই ক্ষেত্ৰখন আৰু চৰকাৰৰ দ্বাৰা গঠিত ডিজিটেল আন্তঃগাঁথনি সম্পূৰ্ণ ৰূপত প্ৰস্তুত হৈ উঠা নাছিল কাৰণে সমগ্ৰ প্ৰক্ৰিয়াটোত চৰম বিভ্ৰান্তি দেখিবলৈ পোৱা গৈছে, লগতে দেখিবলৈ পোৱা গৈছে কাৰিগৰী সমস্যা, সংকটজনক আৰু হুলুস্থুল পৰিৱেশ। ইয়াৰ ফলত সেই বছৰৰ শেষৰ ফালে কাৰণ দৰ্শাই/কাৰণ নদৰ্শাই প্ৰায় 20,000 অ-চৰকাৰী সংগঠন (NGO)-ৰ FCRA পঞ্জীকৰণ বাতিল কৰা হৈছে। 2017 চনৰ অক্টʼবৰত চৰকাৰে আন এটা জাননী জাৰী কৰি এই নিৰ্দেশ দিছিল যে, বিদেশী পুঁজি প্ৰাপক আটাইবোৰ NGO–ক 31 অক্টʼবৰৰ ভিতৰত নীতি আয়োগৰ পোৰ্টেল দৰ্পণৰ জৰিয়তে পঞ্জীকৰণ কৰাব লাগিব। সিহঁতক অভিন্ন পৰিচয় সংখ্যা প্ৰদান কৰা

হ'ব, যিটো ভৱিষ্যতত তেওঁলোকে FCRA ৰিটাৰ্ণ কৰাৰ সময়ত প্ৰয়োজন হ'ব। সেই সময়তো পঞ্জীকৰণৰ বাবে অতি কম সময় পোৱাৰ বাবে, পলমকৈ এই জাননী সম্বন্ধে আৱগত হোৱাৰ বাবে, কাৰিগৰী সমস্যাৰ বাবে, স্ল'/নন ৰেচপন্সিভ/চাৰ্ভাৰ এৰৰ (ডেটা অ'ভাৰ"ড অত্যধিক হোৱাৰ বাবে) হোৱাৰ কাৰণে এই ক্ষেত্ৰখন বিভ্ৰান্ত আৰু উদ্বিগ্ন হৈ পৰিছিল।

2017 চনত চৰকাৰে পণ্য আৰু সেৱা কৰ (GST)-ৰ প্ৰৱৰ্তন কৰিলে, কিন্তু এই ক্ষেত্ৰখনৰ উপৰত এয়া কেনেকৈ প্ৰয়োগ হ'ব বা যুক্ত হ'ব, সেই সম্বন্ধে কোনো স্পষ্টতা নাই।

বৰ্তমান পৰিস্থিতিটোক বুজি লৈ বিভিন্ন সমস্যাৰ সমাধান উলিয়াবলৈ এই ক্ষেত্ৰখনৰ বিভিন্ন সমস্যাক লৈ আলোচনা কৰাৰ উদ্দেশ্যৰে এই ক্ষেত্ৰটোৰ লগত জড়িত বিভিন্ন অংশীদাৰসকলৰ সৈতে এলানি আলাপ-আলোচনাৰ আয়োজন কৰিছে VANI-য়ে।

এই ক্ষেত্ৰখন যিবোৰ সমস্যাৰ কথা বিশেষকৈ উল্লেখ কৰিছিল, সেইবোৰ কথাই এই সমীক্ষাত দাঙি ধৰা হৈছে, আৰু সেইবোৰৰ কেইটামান সম্ভাব্য সমাধানৰ বাবে কেনেকৈ কাম আৰম্ভ কৰিব পৰা যায়, সেই সম্বন্ধেও আলোচনা কৰা হৈছে। আপোনালোকৰ প্ৰতি মোৰ এয়াই অনুৰোধ যে, আপোনালোকে অলপ সময় ব্যয় কৰি এই সমীক্ষা প্ৰচিৱেদনখন পঢ়ক আৰু কেনেকৈ আমি একেলগে কাম কৰি এই ক্ষেত্ৰখনক অধিক শক্তিশালী কৰি তুলিব পৰাকৈ আৰু সমাজৰ বাবে অধিক আৱদান আগবঢ়াব পৰাকৈ কেনেকৈ অনুকূল পৰিৱেশ গঢ়ি তুলিব পাৰোঁ সেই সম্বন্ধে নিজৰ নিজৰ মতামত আমাক জনাওঁক।

ভাৰতত নাগৰিক সমাজৰ বাবে এটা সক্ষম পৰিসৰ গঢ়ি তোলাৰ বাবে VANI-য়ে যি কাম কৰি আছে, সেই কামত চিভিক এংগেজমেণ্ট এলায়েন্সে নিৰৱচ্ছিন্নভাৱে সহায়তা আগবঢ়াই আছে কাৰণে মই তেওঁলোকৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা প্ৰকাশ কৰিছো। VANI-ৰ টীমে তথ্য সংগ্ৰহ, সূচনাৰ বিশ্লেষণ আৰু এই প্ৰতিৱেদন প্ৰস্তুত কৰাৰ কাৰণে যি যি কাম কৰিছে, তাৰ বাবে তেওঁলোককো মই ধন্যবাদ জনাওঁ।

হৰ্ষ জেটলী
মুখ্য কাৰ্যকৰী অধিকৰ্তা

# কাৰ্যকৰী সাৰাংশ

প্ৰায় তিনি দশক পূৰ্বে গুৰুত্বপূৰ্ণ এটা ধাৰণাৰ ৰূপত জন্ম লৈছিল স্বেচ্ছাসেৱী সংগঠনৰ কাৰণে অনুকূল পৰিৱেশ গঢ়ি তোলাৰ বিষয়টো। চৰকাৰ এটাই নাগৰিক সমাজক কিমান সহজভাৱে আৰু সুচাৰুভাৱে চলিবলৈ দিয়ে, তাৰে উপৰত নিৰ্ভৰ কৰে যে, চৰকাৰে নাগৰিক সমাজৰ কাৰণে কেনেকুৱা অনুকূল পৰিৱেশ গঢ়ি দিব পাৰিছে। মুক্ত পৰিৱেশত বিভিন্ন জনৰ অংশীদাৰিত্বৰ সাহায্যত বিভিন্ন সমল সংগ্ৰহ কৰি বিধায়িনী আৰু নীতিৰ জৰিয়তে স্বেচ্ছাসেৱী ক্ষেত্ৰখন গঢ়ি উঠে আৰু নিজৰ কৰ্মকাণ্ডৰ পৰিচালনা কৰে।

ভাৰতৰ দৰে বিশাল দেশত স্বেচ্ছাসেৱী সংগঠনসমূহ নিজৰ নিজৰ আকাৰ, পৰিমাণ, আঞ্চলিক উপস্থিতি, স্বৰূপ, সংৰচনা, পৰিচালন গাঁথনি, সমলৰ উপলব্ধতা, সক্ষমতা ইত্যাদিৰ উপৰত নিৰ্ভৰ কৰি বেলেগ বেলেগ ধৰণৰ হয়। সুদীৰ্ঘ সময় ধৰি স্বেচ্ছাসেৱী সংগঠনসমূহৰ কাম কৰাৰ ধৰণ পৰিৱৰ্তিত হৈ আহিছে। যেনে দেশ স্বাধীন হোৱাৰ পূৰ্বে এই সংগঠনসমূহে সমাজ সংস্কাৰৰ উপৰত অধিক গুৰুত্ব প্ৰদান কৰিছিল, দেশ স্বাধীনতা লাভ কৰাৰ পিছে পিছে বিভিন্ন সেৱামূলক কামত আত্মনিয়োগ কৰিছিল আৰু লাহে লাহে সিহঁত মানৱাধিকাৰৰ সপক্ষত যুঁজ দিয়াৰ কামত আগবাঢ়িছে। এই ক্ষেত্ৰখনৰ কাম কৰাৰ প্ৰৱণতা পৰিৱৰ্তিত হোৱাৰ লগে লগে চৰকাৰৰো এই ক্ষেত্ৰটোৰ প্ৰতি মনোভাৱৰ পৰিৱৰ্তন দেখিবলৈ পোৱা গৈছে, চৰকাৰে এতিয়া এই ক্ষেত্ৰখনৰ কাৰণে নিয়ম কানুন ইমানেই কঠোৰ কৰি দিছে যে, ইয়াৰ নাগৰিক পৰিসৰ সংকুচিত হৈ পৰিছে। মূল পৰিচালন পঞ্জীকৰণৰ ক্ষেত্ৰত এতিয়াও আওপুৰণি তথা অপ্ৰচলিত নিয়মসমূহ বলবৎ হৈ থাকিলেও এই সংগঠনসমূহৰ আয়, বৈদেশিক পুঁজি সংগ্ৰহ আৰু জিএচটি আদি সম্বন্ধীয় তুলনামূলকভাৱে নতুন নতুন নিয়মসমূহৰ বাবে সংঘৰ্ষৰ সৃষ্টি হয়। তদুপৰি এই আইনসমূহ আৰু এইবোৰৰ ৰূপয়াণৰ ক্ষেত্ৰখন ইমানেই অস্পষ্ট আৰু বিভ্ৰান্তিমূলক যে, এইবোৰৰ বেলেগ বেলেগ ব্যাখ্যা দেখিবলৈ পোৱা যায়, যাৰ ফলত আইন ৰূপায়ণকাৰীসকলৰ ইচ্ছা-অনিচ্ছাৰ উপৰত নিৰ্ভৰ কৰাৰ দৰে সমস্যাৰ মুখত পৰিবলগীয়া হৈছে স্বেচ্ছাসেৱী ক্ষেত্ৰখনক।

প্ৰতিদিনেই এই ক্ষেত্ৰখনক পূৰ্বৰেপৰা প্ৰচলিত আৰু নতুন নতুন প্ৰত্যাহ্বানৰ মুখত পৰিবলগীয়া হৈ আছে। এই সম্বন্ধে কেইটামান উদাহৰণ দাঙি ধৰা হ'ল— এই দেশত সাধাৰণ আৰু ডিজিটেল আন্তঃগাঁথনিৰ (যেনে বিজুলী আৰু ইন্টাৰনেট উপলব্ধতা) অভাৱ আছে, যিবোৰৰ কাৰণে বহুতো বাধাৰ সৃষ্টি হয়। তাৰ উপৰত আকৌ কিছু সংগঠনে, বিশেষকৈ প্ৰত্যন্ত অঞ্চলসমূহত কাম-কাজ কৰা মজলীয়া আৰু ক্ষুদ্ৰ

সংগঠনসমূহৰ মাজত কিছু সচেতনতাৰ অভাৱ আছে, যেনে, সিহঁত পৰিচালন সম্বন্ধীয় কিছুমান আইন আৰু নিয়ম আদি নাজানে। উন্নত ব্যৱস্থাৰ জৰিয়তে কাম কাজ চলাই লৈ যোৱাৰ কাৰণে দক্ষ কৰ্মী, কাৰিগৰী আৰু বিত্তীয় সমলৰ অভাৱ আছে বহু স্বেচ্ছাসেৱা সংগঠনৰ। উন্নত ব্যৱস্থা মানে হ'ল ডিজিটেল ৰেকৰ্ড, ৱেবচাইট, মেনেজমেণ্ট ইনফৰ্মেশ্বন চিষ্টেম (MIS), ৰিপ'ৰ্টিং ফৰমেট, ডেশ্বৰ্বোৰ্ড ইত্যাদি প্ৰস্তুত কৰা আৰু পৰিচালন কৰা। লগতে বহু কেইটা সুপ্ৰতিষ্ঠিত প্ৰতিষ্ঠানসমূহত দায়বদ্ধতা আৰু স্বচ্ছতা অবলম্বন কৰাৰ প্ৰৱণতা দেখিবলৈ পোৱা নাযায়। এইবোৰৰ লগতে আকৌ সংবাদ মাধ্যমত স্বেচ্ছাসেৱী সংগঠনসমূহৰ নেতিবাচক ভাৱমূৰ্তিৰ প্ৰচাৰ কৰা হয়।

এইবোৰ প্ৰত্যাহ্বানৰ ফলত নাগৰিক সমাজ আৰু ইয়াৰ বিভিন্ন অংশীদাৰ (যেনে চৰকাৰ, দাতা, ৰাইজ)-ৰ মাজত ব্যবধান বৃদ্ধি পাইছে, এনেকৈ এই প্ৰতিষ্ঠানসমূহৰ বিশ্বাসযোগ্যতাক লৈ প্ৰশ্ন উত্থাপিত হৈছে, যাৰ এটা গুৰুতৰ প্ৰভাৱ পৰিছে এই প্ৰতিষ্ঠানসমূহৰ ধন সংগ্ৰহ আৰু জীয়াই থকাৰ দিশটোৰ উপৰত।

গতিকে এই ক্ষেত্ৰখনক লৈ সাধাৰণতে এইবোৰ 'প্ৰশ্ন' উত্থাপিত হয়:

1) প্ৰতিষ্ঠানৰ পঞ্জীকৰণত সম্যক তথা অভিন্ন আইন পৰিচালিত হৈছে নে নাই।
2) এনজিঅ' আৰু চৰকাৰৰ মাজত নিয়মীয়াকৈ সংযোগৰ জৰিয়তে অংশীদাৰিত্বক প্ৰসাৰ কৰাৰ কাম কৰা হৈছে নে নাই।
3) নিয়ম অনুসৰণ কৰি এই ক্ষেত্ৰখনৰ ক্ষমতা বৃদ্ধি কৰা হৈছে নে নাই।
4) দায়বদ্ধতা, স্বচ্ছতা, ডিজিটেল প্ৰযুক্তি ইত্যাদিৰ ভিত্তিত সক্ষমতা গঢ়ি তোলা হৈছে নে নাই।
5) অভিযোগ দূৰীকৰণৰ শক্তিশালী ব্যৱস্থা আছে নে নাই।
6) সংবাদ মাধ্যম, সৰ্বসাধাৰণ ৰাইজ, কৰ্পোৰেট আৰু দাতাসকলৰ দৰে বিবিধ অংশীদাৰসকলৰ লগত নিয়মীয়াকৈ সংযোগ ৰক্ষা কৰা হৈছে নে নাই।

2007 চনত ভাৰত চৰকাৰে গ্ৰহণ কৰিছিল স্বেচ্ছাসেৱী সংগঠন সম্বন্ধীয় ৰাষ্ট্ৰীয় নীতি, সেইটো হ'ল এটা আদৰ্শ নথি। এই নীতি সঁচাকৈ ৰূপায়িত হ'লে স্বেচ্ছাসেৱী গঠনসমূহৰ কাম কাজ কৰাৰ ক্ষেত্ৰখনত এটা অনুকূল পৰিৱেশ গঢ়ি উঠিব আৰু যাৰ ফলত লাভ হ'ব সমাজৰ, লগতে বিকাশ আৰু সমতাৰ লক্ষ্য ৰূপায়ণৰ দিশতো সহায়ক হৈ উঠিব।

# সমীক্ষাৰ প্ৰকাৰ

## সমীক্ষাৰ অৱকাশ আৰু লক্ষ্য:

ভাৰতত চিইঅ'-সকলে সাধাৰণতে পঞ্জীকৰণ, আয় আৰু বৈদেশিক পুঁজি সংগ্ৰহ সম্বন্ধীয় আইনৰ নিয়মৰ অধীনত থাকি পৰিচালিত হয়। চৰকাৰ আৰু ভিঅ'-সকলৰ মাজত সম্পৰ্কটো ওলোমি থাকে সমন্বয় (পাৰস্পৰিক বুজাবুজিৰ জৰিয়তে সমস্যাৰ সমাধানৰ লগতে গঠনমূলক তৰ্কালোচনাৰ বাবে পৰিসৰৰ ভিত্তিত গঢ়ি উঠা অংশীদাৰিত্ব) আৰু বিৰোধ (কঠোনৰ আইনী ৰূপৰেখা আৰু মনোভাৱৰ জৰিয়তে নিয়ন্ত্ৰণ)-ৰ মাজত।

VANI (যাৰ অৰ্থ কন্ঠ), হ'ল নাগৰিক সমাজ সংগঠনসমূহৰ এটা শীৰ্ষ সংগঠন। ইয়াৰ প্ৰত্যক্ষ সদস্য 500 আৰু পৰোক্ষ সদস্য 10,000। এই সংগঠনে নিয়ম সংস্কাৰৰ সপক্ষত মাত মাতি আহিছে। সমাজ, ৰাজনীতি, অৰ্থনীতি, বিত্তীয় প্ৰেক্ষাপটখন দ্ৰুতগতিত পৰিৱৰ্তিত হোৱাৰ ফলত স্বেচ্ছাসেৱী ক্ষেত্ৰখনতো দ্ৰুতগতিত আধুনিকীকৰণ পৰিলক্ষিত হৈছে, কিন্তু ইয়াক পৰিচালনা কৰাৰ আইনবোৰ এতিয়া অপ্ৰচলিত, অনুপযুক্ত, বাধা সৃষ্টিকাৰী আৰু সুকীয়া।

বিদেশী পুঁজি সংগ্ৰহৰ দিশটো এতিয়া প্ৰায় বন্ধই হৈ গৈছে, সেই কাৰণে স্বেচ্ছাসেৱী ক্ষেত্ৰখন এতিয়া ন্যায়সংগত এখন সমাজ গঢ়ি তোলাৰ দিশটোত দেশীয় সাহায্য--অৰ্থাত্ চৰকাৰী, ব্যক্তিগত খণ্ড বা ব্যক্তিবিশেষৰপৰা আৰ্থিক সাহায্য—লাভৰ পথ বিচাৰি আছে। এই ক্ষেতখন এটা দিশ চিনাক্ত কৰি উলিয়াইছে যে, ইয়াক নিজৰ প্ৰক্ৰিয়াত স্বচ্ছতা আৰু দায়বদ্ধতাৰ জৰিয়তে বিশ্বাসযোগতা আৰু আস্থা জগাই তোলাৰ প্ৰয়োজন আছে, অৱশ্যে এই ক্ষেত্ৰখন যাতে নিজৰ ক্ষমতাক অধিক শক্তিশালী কৰি তুলিব পাৰে আৰু নিজৰ সম্ভাৱনাক সম্পূৰ্ণ ৰূপত কামত লগাব পাৰে, তাৰ বাবে প্ৰয়োজন সুবিধাজনক পৰিৱেশ আৰু এই ক্ষেত্ৰখনৰ অনুকূল হ'ব পৰাকৈ নিয়ম সংস্কাৰো কৰিব লাগিব।

## উদ্দেশ্য:

এই উদ্দেশ্যসমূহ আগত ৰাখি এই সমীক্ষাৰ কাম হাতত লোৱা হৈছিল:

- এই ক্ষেত্ৰখনক প্ৰভাৱিত কৰিব পৰা ভাৰতৰ বিভিন্ন আইনত শেহতীয়া কি কি পৰিৱৰ্তন হৈছে, সেইবোৰ বিশ্লেষণ কৰা।
- এই আইনসমূহ ৰূপায়ণ কৰোঁতে এই ক্ষেত্ৰটো কি কি প্ৰত্যাহ্বানৰ মুখত পৰিব পাৰে সেয়া অনুধাৱন কৰা।
- সন্মুখলৈ আগবাঢ়ি যোৱাৰ পৰামৰ্শ প্ৰদান।

## কৰ্মপদ্ধতি

ডেস্ক গৱেষণা- স্বেচ্ছাসেৱী ক্ষেত্ৰৰ সংগঠনসমূহক লৈ বৰ্তমান প্ৰচলিত পঞ্জীকৰণ আৰু বিত্তীয় ৰূপৰেখাক পৰ্যালোচনা কৰাৰ কাৰণে আইন, নীতি, প্ৰকাশিত আৰু অপ্ৰকাশিত প্ৰতিৱেদন, জাৰ্ণেল, প্ৰবন্ধ, থীম পেপাৰ, ডিজিটেল তথ্যৰ সম্যক ডেস্ক গৱেষণাৰ কাম হাতত লোৱা হৈছিল।

বিধায়িনীয়ে পৰ্যালোচনা কৰিছে:

- চ'চাইটি ৰেজিষ্ট্ৰেশ্বন এক্ট, 1860
- ভাৰতীয় ন্যাস আইন, 1882
- আয়কৰ আইন, 1961
- স্বেচ্ছাসেৱী ক্ষেত্ৰৰ বাবে ৰাষ্ট্ৰীয় নীতি, 2007
- ভাৰতীয় কোম্পানী আইন, 2013 (ধাৰা 8)
- বৈদেশিক অৱদান (নিয়ামক) আইন, 2010
- লোকপাল আৰু লোকায়ুক্ত আইন, 2013
- পণ্য আৰু সেৱা কৰ আইন, 2017

প্ৰাথমিক গৱেষণা- VANI ভাৰতৰ স্বেচ্ছাসেৱী সংগঠনসমূহৰ শীৰ্ষ সংগঠন হোৱা হেতুকে এই সচেতনতা প্ৰসাৰৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে যে, কেনেকৈ এই ক্ষেত্ৰখনক প্ৰভাৱিত কৰিব পৰাকৈ বিভিন্ন আইন আৰু নিয়ম পৰিৱৰ্তিত/কিঞ্চিত্‌ৰৰ্ধিত হৈছে, আৰু এই ক্ষেত্ৰখনৰ সম্বন্ধীয় বিভিন্ন বিষয় আৰু সমস্যাক নীতি নিৰ্ধাৰকসকলৰ সন্মুখতো উপস্থাপিত কৰিছে। এই উদ্দেশ্যক পূৰণ কৰাৰ বাবে এই ক্ষেত্ৰখনৰ লগত জড়িত বিভিন্ন ব্যক্তিক লৈ তলত উল্লিখিত বৈঠকৰ আয়োজন কৰিছে VANI-য়ে, এই বৈঠকত আলোচনা কৰা হৈছে যে এই ক্ষেত্ৰখন কি কি প্ৰত্যাহ্বানৰ মুখত পৰি আছে, এইবোৰক নেওঁচি কেনেকৈ আগবাঢ়ি যাব পৰা যায় সেই সম্বন্ধে সকলোৰপৰা সৰ্বজনসন্মত এটা মত গ্ৰহণ কৰা হৈছে। তলত উল্লিখত আলোচনা সভাসমূহ আৰু তাত গৃহীত সিদ্ধান্তসমূহক প্ৰাথমিক গৱেষণাৰ অন্তৰ্ভুক্ত কৰা হৈছে:

- নতুন দিল্লীত 1 আৰু 2 চেপ্তেম্বৰ 2016 তাৰিখে আয়োজিত "আন-চেইন দ্য ভলাণ্টৰী চেক্টৰ: নীড ফৰ এনাবেলিং ৰেগুলেটৰী ৰিফৰ্মচ" শীৰ্ষক ৰাষ্ট্ৰীয় পৰামৰ্শ সভা।
- লোকপাল আৰু লোকায়ুক্ত আইনত ভিঅ'-সমূহক অন্তৰ্ভুক্ত কৰাৰ কাৰণে 14 জুলাই 2016 তাৰিখে ভিঅ'-জিঅ' ইণ্টাৰফেচ।
- 10 মাৰ্চ 2017 তাৰিখে নতুন দিল্লীত স্বেচ্ছাসেৱী ক্ষেত্ৰৰ নিয়ম সংস্কাৰ সম্বন্ধীয় ঘুৰণীয়া মেজ মেল।
- 27 জুলাই 2017 তাৰিখে নতুন দিল্লীত অনুকূল পৰিৱেশ গঢ়ি তোলা সম্বন্ধীয় ৰাষ্ট্ৰীয় পৰামৰ্শ সভা।
- 13 অক্ট'বৰ 2017 তাৰিখে নতুন দিল্লীত জিএচটি-ক লৈ মুখ্য বিত্তীয় বিষয়ববীয়াসকলৰ আলোচনা।

# প্ৰথম বিভাগ: প্ৰেক্ষাপট:

ভাৰতত 1857 চনত স্বেচ্ছাসেৱী সংগঠন গঢ়ি তোলাৰ তথ্য পোৱা পোৱা যায়, যিটো বছৰ ভাৰতত পোন প্ৰথমবাৰ স্বাধীনতা আন্দোলন সংঘটিত হৈছিল। সেই সময়তে গঢ়ি উঠিছিল ফ্ৰেণ্ড-ইন-নীড চ'চাইটী (1858), প্ৰাৰ্থনা সমাজ (1864), সত্য শোধন সমাজ (1873), আৰ্য সমাজ (1875), নেশ্বনেল কাউন্সিল ফৰ উইমেন ইন ইণ্ডিয়া (1875) আৰু ইণ্ডিয়ান নেশ্বনেল কনফাৰেন্স (1887)-ৰ দৰে সংগঠনসমূহ স্থাপিত হৈছিল। ভাৰতৰ প্ৰথম ভাইচৰয় লৰ্ড কেনিঙৰ নেতৃত্বত ব্ৰিটিছ চৰকাৰে প্ৰথম চ'চাইটি ৰেজিষ্ট্ৰেশ্বন এক্ট, 1860 প্ৰৱৰ্তন কৰিছিল। এই আইন প্ৰৱৰ্তন কৰাৰ আঁৰত আছিল দুটা উদ্দেশ্য— এক. এনে সংগঠনসমূহক বৈধ স্বীকৃতি প্ৰদান আৰু দুই. এই সংগঠনসমূহৰ কৰ্মকাণ্ডৰ উপৰত যাতে ব্ৰিটিছ চৰকাৰে চকু ৰাখিব পাৰে।

স্বাধীনতাৰ পিছত ভাৰত চৰকাৰে বুজিবলৈ আৰম্ভ কৰিলে যে, সমাজ কল্যাণ তথা দেশৰ উন্নয়নৰ কামত এই ক্ষেত্ৰখন কি সম্ভাৱনাপূৰ্ণভাৱে আগবাঢ়ি আহিব পাৰে। 1850-70 সময়ছোৱাত চৰকাৰে উন্নয়নমূলক কৰ্মকাণ্ডৰ বিকেন্দ্ৰীকৰণ কৰিছিল আৰু ভাৰতত স্থাপিত হৈছিল অক্সফেম-ৰ দৰে আন্তঃৰাষ্ট্ৰীয় এনজিঅ'-সমূহ। পিছলৈ এনেকুৱা আন বহু কেইটা এনজিঅ' স্থায়ীভাৱে ভাৰততেই নিজৰ স্থানীয় কাৰ্যালয় স্থাপন কৰিছিল। এইটো সময়তেই ভাৰতত দেশীয় এনজিঅ'-সমূহলৈ বৈদেশিক পুঁজিৰ সাহায্য আহিবলৈ আৰম্ভ কৰিছিল।

পঞ্চম পঞ্চবৰ্ষীয় পৰিকল্পনা (1974-78)-ৰ সময়ত চৰকাৰে 'ন্যূনতম প্ৰয়োজন কৰ্মসূচী'-ৰ জৰিয়তে ভাল সুযোগ-সুবিধা নোপোৱা জনসাধাৰণৰ সামাজিক আৰু আৰ্থিক উন্নয়নৰ কাম হাতত লৈছিল। এই কৰ্মসূচীত গুৰুত্ব আৰোপ কৰা হৈছিল গ্ৰামীণ স্বাস্থ্য, পুষ্টি, শিক্ষা, পানী সৰবৰাহ, বৈদ্যুতিকীকৰণ ইত্যাদিৰ উপৰত। সামাজিক ক্ষেত্ৰৰ প্ৰকল্পসমূহৰ লগত সৰ্বসাধাৰণ ৰাইজে সক্ৰিয়ভাৱে যুক্ত হৈ পৰাৰ কাৰণে এনজিঅ'-সমূহক উন্নয়নৰ কামত অংশীদাৰ হিচাপে চিনাক্ত কৰা হৈছিল। সেই সময়তেই অধিকাৰ অৰ্জন ভিত্তিক গণ আন্দোলন আৰু ইয়াৰ সপক্ষত মাত মতা আৰম্ভ হৈছিল।

1990 চনত ভাৰতীয় অৰ্থনীতিৰ দুৱাৰ উন্মুক্ত হোৱাৰ পিছৰেপৰা দ্বিপাক্ষিক আৰু আন্তঃৰাষ্ট্ৰীয় দাতাসকলে চৰকাৰ, এনজিঅ' নেটৱাৰ্ক, বৃহত্ কৰ্পোৰেট এনজিঅ'-সমূহৰ জৰিয়তে প্ৰত্যক্ষভাৱে পুঁজি পঠিয়াবলৈ আৰম্ভ কৰিছিল, যাৰ ফলত স্থানীয় নেতৃত্ব চলি থকা সংগঠনসমূহ পিছ পৰি গৈছিল। 2015 চনত প্ৰকাশিত এটা বাতৰিত কোৱা হৈছিল যে, চিবিআই-ৰ দ্বাৰা সংঘটিত মেপিং এক্সাৰচাইজ অনুসৰি ভাৰতত কাম কৰি থকা পঞ্জীয়নভুক্ত এনজিঅ'-ৰ সংখ্যা 30 লাখ 10 হেজাৰৰো অধিক।

ভাৰতত এনজিঅ'-সমূহ পঞ্জীকৰণ, কৰ (আয়কৰ আৰু শেহতীয়াভাৱে প্ৰৱৰ্তিত পণ্য আৰু সেৱা কৰ), বৈদেশিক পুঁজি ইত্যাদি সম্বন্ধীয় আইনৰ দ্বাৰা পৰিচালিত।

ভাৰতৰ পঞ্জীকৰণ আইনে সংগঠনসমূহক তিনিটা শ্ৰেণীত বিভক্ত কৰিছে— সামাজিক সংগঠন, দাতব্য ন্যাস আৰু 8 ধাৰাৰ কোম্পানী। এনজিঅ' এটা ন্যাস, সামাজিক সংগঠন বা কোম্পানী যি নামতেই পঞ্জীয়নভুক্ত নহওক কিয়, সেয়া হ'ব লাগিব আয়কৰ আইন 1961 অনুসৰি। বৈদেশিক পুঁজিৰ সাহায্য লাভ কৰা সংগঠনসমূহ 2010 চনৰ ফৰেইন কন্ট্ৰিবিউশ্বন এক্ট মানি চলিব লাগিব।

আয়কৰ আইন 1961-ৰ অধীনত স্বেচ্ছাসেৱী সংগঠনসমূহক তিনিটা মূল ৰূপত আয়কৰ ৰেহাই দিয়ে চৰকাৰে। ধাৰা 80G: নিৰ্দিষ্ট ক্ষেত্ৰত কাম কৰা স্বেচ্ছাসেৱী সংগঠনসমূহে দাতব্য সংস্থা হিচাপে আয়কৰ কৰ্তৃপক্ষৰ ওচৰত পঞ্জীয়নভুক্ত হ'ব লাগিব। ইয়াৰ ফলত দাতাসকলে (ব্যক্তি আৰু কোম্পানী) যিমান ধন দান কৰিব তাৰে 50 পৰিমাণ ধনলৈকে আয়কৰ ৰেহাই পাব। ইয়াৰ আগতে ধাৰা 35AC অনুসৰি (বিশেষ প্ৰকল্পৰ ক্ষেত্ৰত প্ৰযোজ্য) দাতাসকলে 100 শতাংশ আয়কৰ ৰেহাই পাইছিল। ধাৰা 2(15) অনুসৰি যিবোৰ সংগঠন ব্যৱসায়িক কৰ্মকাণ্ড পৰিচালনা কৰে, সিহঁতৰ বেলেগকৈ হিচাপৰ বহী থাকিলে সিহঁতক 'অলাভজনক সংস্থাৰ কোনো কামত হঠাতে' কোনো লাভ হৈ গ'লে সেই লাভৰ কাৰণে আয়কৰ প্ৰদান কৰাৰ কোনো প্ৰয়োজন নাছিল।

মে 2007-ত ভাৰত চৰকাৰে স্বেচ্ছাসেৱী সংগঠন সম্বন্ধীয় ৰাষ্ট্ৰীয় নীতি লৈ আহিছিল। এই নীতিৰ জৰিয়তে চৰকাৰে বৈচিত্ৰ্যপূৰ্ণ ৰূপ আৰু কৰ্মকাণ্ড থকা স্বতন্ত্ৰ, সৃষ্টিশীল আৰু কাৰ্যকৰী স্বেচ্ছাসেৱী সংগঠনসমূহক উত্সাহ প্ৰদান, ক্ষমতা প্ৰদান আৰু সবল কৰি তোলাৰ লক্ষ্য লৈছিল, যাতে এই সংগঠনসমূহে ভাৰতৰ মানুহৰ সামাজিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক অগ্ৰসৰতাৰ দিশত বৰঙণি আগবঢ়াব পাৰে। সজাগতা বৃদ্ধি, সামাজিক কৰ্মকাণ্ড, সেৱা প্ৰদান, প্ৰশিক্ষণ, গৱেষণা, যুক্তি প্ৰদৰ্শন ইত্যাদিৰ জৰিয়তে দাৰিদ্ৰ্য, বঞ্চনা, বৈষম্য, অৱহেলা আদি দূৰীকৰণৰ দিশত স্বেচ্ছাসেৱী ক্ষেত্ৰখন যি উদ্ভাৱনীমূলক সমাধান বিচাৰি উলিয়াইছে, সেইটোক শলাগ জনোৱা হৈছে আলোচ্য নীতিত।

এই নীতিয়ে চাৰিটা উদ্দেশ্যক চিনাক্ত কৰিছে:

1. স্বেচ্ছাসেৱী সংগঠনসমূহৰ কাৰণে এনেকুৱা এখন পৰিৱেশ গঢ়ি তোলা, য'ত সিহঁত নিজৰ উদ্যোগ আৰু কাৰ্যকাৰিতাক অধিক শক্তিশালী কৰি তুলিব পাৰিব আৰু নিজৰ স্বশাসনক সুৰক্ষিত ৰাখিব পাৰিব।

2. স্বেচ্ছাসেৱী সংগঠনসমূহে যাতে বৈধভাৱে দেশী-বিদেশী অৰ্থ সাহায্যক প্ৰয়োজন অনুসৰি ব্যৱহাৰ কৰিব পাৰে, সেই ব্যৱস্থা গঢ়ি তোলা।

3. এনেকুৱা এটা প্ৰণালী চিনাক্ত কৰা যাৰ জৰিয়তে চৰকাৰে পাৰস্পৰিক বিশ্বাস, শ্ৰদ্ধা আৰু দায়িত্বশীলতাৰ জৰিয়তে স্বেচ্ছাসেৱী সংগঠনসমূহৰ লগত কাম কৰিব পাৰে।

4. সংগঠন পৰিচালন আৰু ব্যৱস্থাপনাৰ ক্ষেত্ৰত স্বচ্ছতা আৰু দায়বদ্ধতাৰ নীতি গ্ৰহণ কৰাৰ বাবে স্বেচ্ছাসেৱী সংগঠনসমূহক উত্‌সাহিত কৰা।

ৰাজ্য চৰকাৰসমূহক তলত উল্লিখত দিশসমূহত কেন্দ্ৰীয় চৰকাৰে যাতে উত্‌সাহিত কৰে, সেই কথা নীতিত উল্লেখ কৰা হৈছে:

- স্বেচ্ছাসেৱী সংগঠনসমূহৰ পঞ্জীয়নৰ ক্ষেত্ৰত নীতি-নিয়মসমূহক সৰল, উদাৰ আৰু যুক্তিপূৰ্ণ কৰি তুলিব লাগিব।
- বিকল্প হিচাপে সৰল আৰু উদাৰ কেন্দ্ৰীয় আইন বলবত্‌ কৰাৰ সাধ্যতাক পৰীক্ষা কৰিব লাগিব।
- এই ক্ষেত্ৰটোৰ কাৰণে এটা স্বতন্ত্ৰ, আত্ম-নিয়ামক সংস্থা তৈয়াৰ কৰাৰ দিশত উত্‌সাহ প্ৰদান।
- স্বেচ্ছাসেৱী সংগঠনসমূহৰ কাৰণে কৰ ৰেহাই আৰু শ্বেয়াৰ-ষ্টক হস্তান্তৰৰ দিশটো বিবেচনা কৰিব লাগিব।
- ফৰেইন কন্ট্ৰিবিউশ্বন (ৰেগুলেটৰী) এক্ট-ক সহজ কৰি তোলাৰ ব্যৱস্থা কৰা।
- এই ক্ষেত্ৰটোৰ লগত গঠনমূলক সম্পৰ্ক গঢ়ি তোলাৰ কাৰণে চৰকাৰী কৰ্মচাৰীসকলক প্ৰশিক্ষণ দিব পৰা পদ্ধতি তৈয়াৰ কৰিব লাগিব।
- যৌথ আলোচক গোষ্ঠী গঢ়ি তুলিব লাগিব, য'ত চৰকাৰ আৰু স্বেচ্ছাসেৱী সংগঠনৰ প্ৰতিনিধিসকলে থাকিব।
- ৰাষ্ট্ৰীয় সমন্বয় কৰ্মসূচীক চিনাক্ত কৰিব লাগিব।
- উপযুক্ত স্বেচ্ছাসেৱী সংগঠনসমূহলৈ বিত্তীয় সহায়তা আগবঢ়োৱা সেৱামূলক প্ৰতিষ্ঠানসমূহক সাহায্য কৰিব লাগিব।
- স্বেচ্ছাসেৱী সংগঠনসমূহৰ পৰিচালন ব্যৱস্থাৰ উত্‌কৰ্ষৰ কথা জনসমক্ষত প্ৰচাৰ কৰি সিহঁতৰ কামক স্বীকৃতি দিব লাগিব।

# দ্বিতীয় বিভাগ: বিধায়িনী আৰু স্বেচ্ছাসেৱী ক্ষেত্ৰ

স্বেচ্ছাসেৱী ক্ষেত্ৰটোৰ কাৰণে প্ৰৱৰ্তিত বিভিন্ন বিধায়িনী আৰু এই ক্ষেত্ৰখনৰ উপৰত প্ৰভাৱ পেলাব পৰা শেহতীয়া কোনো পৰিৱৰ্তনৰ বিষয়ে কালানুক্ৰমিক এটা তালিকা দাঙি ধৰা হৈছে এই বিভাগত। এই ক্ষেত্ৰখনক পৰিচালনা কৰা আইনসমূহ হ'ল: পঞ্জীয়ন সম্বন্ধীয় চ'চাইটিজ ৰেজিষ্ট্ৰেশ্বন এক্ট 1860, ভাৰতীয় ন্যাস আইন 1882, চেকশ্বন 8 অৱ দ্য ইণ্ডিয়ান কোম্পানীজ এক্ট 2013, আয়কৰ সম্বন্ধীয় আয়কৰ আইন 1961, বৈদিশিক বৰঙণি সম্বন্ধীয় ফৰেইন কন্ট্ৰিবিউশ্বন (ৰেগুলেশ্বন) এক্ট 2010, লোকপাল আৰু লোকায়ুক্ত আইন 2013 আৰু শেহতীয়াভাৱে প্ৰৱৰ্তিত পণ্য আৰু সেৱা কৰ আইন, 2017। পঞ্জীয়ন সম্বন্ধীয় আইনসমূহে কিছু নমনীয়তা প্ৰদান কৰিলেও একেটা আইনৰ অধীনত বিভিন্ন প্ৰকাৰৰ সংগঠনক একে ধৰণৰ বুলি ধৰি লোৱাৰ কাৰণে বিভ্ৰান্তিৰ সৃষ্টি হয়। আয়কৰৰ চৰ্ত আৰু এই সম্বন্ধীয় আইনৰ বিভিন্ন সংশোধনৰ ফলত এয়া স্পষ্টকৈ বুজি পোৱা নাযায় যে, দাতব্য প্ৰতিষ্ঠানত দান কৰিলে দাতাই কিমান টকালৈকে আয়কৰ ৰেহাইৰ সুবিধা লাভ কৰিব পাৰিব। কৰ ৰেহাইৰ সীমা বান্ধি দিয়াৰ কাৰণে আৰু এই আইন কঠোৰভাৱে ৰূপায়ণ কৰাৰ কাৰণে স্বেচ্ছাসেৱী ক্ষেত্ৰখনক আৰ্থিকভাৱে সবল হৈ জীয়াই থকাটো এটা সমস্যা হৈ পৰিছে। ইয়াৰ পৰিণতিত স্বেচ্ছাসেৱী ক্ষেত্ৰখনক আগৰ তুলনাত অধিক মাত্ৰাত বাহিৰা সাহায্যৰ উপৰত নিৰ্ভৰ কৰিবলগীয়া হৈছে। যেনে এতিয়া সিহঁতক চৰকাৰী বা কৰ্পোৰেট সাহায্যৰ উপৰত নিৰ্ভৰ কৰিবলগীয়া হৈ আছে। এইটো নিশ্চিতভাৱে স্বেচ্ছাসেৱী ক্ষেত্ৰখনৰ কামকাজৰ ধৰণ আৰু আৰ্থ-সামাজিক প্ৰত্যাহ্বান মোকাবিলাৰ কাৰণে সিহঁতে যি যি কাম কৰে, সেইবোৰৰ উপৰত বেয়া প্ৰভাৱ পেলাইছে। ফৰেইন কন্ট্ৰিবিউশ্বন ৰেগুলেশ্বন এক্টৰ কাৰণে স্বেচ্ছাসেৱী ক্ষেত্ৰখনৰ উপৰত আমোলাতান্ত্ৰিক গাঁথনিৰ নিয়ন্ত্ৰণ বৃদ্ধি পাইছে। ডিজিটাইজ কৰাৰ পদক্ষেপ লোৱা হ'লেও হাৰাশাস্তিৰ সময়ত বিধায়িনী ব্যৱহাৰ কৰাৰ




মূল সমস্যাটোৰ এতিয়াও কোনো সমাধান হোৱা নাই। ভাৰত চৰকাৰে স্বেচ্ছাসেৱী ক্ষেত্ৰ সম্বন্ধীয় ৰাষ্ট্ৰীয় নীতি 2007 গ্ৰহণ কৰিছিলে, যাতে এই ক্ষেত্ৰখনৰ কাৰণে এটা অনুকূল পৰিৱেশ গঢ়ি তুলিব পৰা যায়, এইটো এটা আশাৰ ৰেঙণি আছিল, কিন্তু ইয়াৰ নীতিসমূহক আজিলৈ গ্ৰহণ কৰা নহ'ল।

## চ’চাইটিজ ৰেজিষ্ট্ৰেশ্বন এক্ট 1860:

স্বাধীনতা-পূৰ্ব যুগত এইটোৱে আছিল প্ৰথম আইন, যিটো তৈয়াৰ কৰা হৈছিল স্বেচ্ছাসেৱী সংগঠনসমূহৰ পঞ্জীয়নৰ বাবে। এইটো প্ৰৱৰ্তনৰ দুটা উদ্দেশ্য আছিল। এটা হ’ল এই সংগঠনসমূহক বৈধতা প্ৰদান কৰা আৰু আন এটা হ’ল সিহঁতৰ কৰ্মকাণ্ডৰ উপৰত সজাগ দৃষ্টি ৰখা।

এই আইনৰ বহুত ডাঙৰ কোনো পৰিৱৰ্তন হোৱা নাই, কেৱল স্বাধীনতাৰ পিছত 1948/50 নিৰ্দেশ গ্ৰহণ কৰাৰ পৰিণতিত এই আইন বিধিবদ্ধ হৈ থাকি গ’লেও, ‘চ’চাইটসমূহ’ ৰাষ্ট্ৰৰ তালিকাৰ অন্তৰ্ভুক্ত হৈ যোৱাৰ কাৰণে এয়া ৰাজ্য চৰকাৰসমূহৰ বিধায়িনী অৰ্হতাৰ অধীনত আহি গ’ল।

এই আইনৰ অধীনত এই ক্ষেত্ৰখনৰ কাৰণে অন্তৰ্ভুক্ত বিশেষ কেইটামান ব্যৱস্থা:

এই আইনৰ ধাৰা 20-ত অন্তৰ্ভুক্ত হৈছে বিভিন্ন প্ৰকাৰ চ’চাইটি বা সামাজিক সংগঠন, যিবোৰ এই আইনৰ অধীনত পঞ্জীয়নভুক্ত দাতব্য প্ৰতিষ্ঠান। যেনে বিজ্ঞান, সাহিত্য, সুকুমাৰ কলা সম্বন্ধীয় সামাজিক সংগঠন, গ্ৰন্থাগাৰ পৰিচালনৰ বাবে গঢ়ি উঠা সামাজিক সংগঠন আৰু ৰাজহুৱা সংগ্ৰহালয় তথা কলাবিথীকা পৰিচালনৰ বাবে গঢ়ি উঠা সামাজিক সংগঠন। যি কোনো ব্যক্তি বা প্ৰতিষ্ঠান এনে সংগঠনৰ সদস্য হ’ব পাৰে।

চ’চাইটি হিচাপে পঞ্জীয়নভুক্ত হ’বলৈ হ’লে স্বেচ্ছাসেৱী সংগঠনৰ মেনেজিং কমিটিত ন্যূনতম সাতজন সদস্য থাকিবই লাগিব। চ’চাইটি পৰিচালনৰ বাবে মূল প্ৰয়োজনীয় বস্তুবোৰ হ’ল সংগঠনৰ স্মাৰক আৰু নীতি-নিয়ম, য’ত স্পষ্টকৈ উল্লেখ থাকিব লাগিব (চ’চাইটিৰ) লক্ষ্য, উদ্দেশ্য আৰু পৰিচালন পদ্ধতিৰ কথা, এই বিষয়বোৰৰ স্পষ্ট ব্যাখ্যা থাকিব লাগিব।

চ’চাইটি ভংগ কৰি দিব পৰা যাব। চ’চাইটি ভংগ কৰাৰ পিছত আৰু সকলো ঋণ আৰু দায়বদ্ধতাৰ নিষ্পত্তিৰ পিছত চ’চাইটিৰ পুঁজি আৰু সম্পত্তি আন এটা চ’চাইটিক প্ৰদান কৰিব লাগিব বা সিহঁতক হস্তান্তৰ কৰিব লাগিব। ভংগ হৈ যোৱা চ’চাইটি যি উদ্দেশ্যত কাম-কাজ চলাইছিল, সেই একে উদ্দেশ্যত কাম-কাজ চলাই লৈ যোৱা চ’চাইটিৰহে এই পুঁজি আৰু সম্পত্তি পোৱাৰ অগ্ৰাধিকাৰ থাকিব।

## ভাৰতীয় ন্যাস আইন 1882:

ভাৰতত প্ৰৱৰ্তিত হোৱা ন্যাস সম্বন্ধীয় এইটো প্ৰথম আইন। বৰ্তমান এইটো বিত্ত মন্ত্ৰণালয়ৰ আয়কৰ বিভাগৰ অধীনস্থ আৰু এইটো গঠন কৰা হৈছে ব্যক্তিগত ন্যাস পৰিচালনৰ বাবে।

ন্যাস হ'ল সংগঠনৰ এটা বিশেষ ৰূপ, যাৰ উত্পত্তি হয় ইচ্ছাপত্ৰৰ জৰিয়তে। ইচ্ছাপত্ৰৰ গৰাকীজনে আছুতীয়াকৈ বিশেষ উদ্দেশ্যত সম্পত্তিৰ মালিকানা হস্তান্তৰ কৰিব পাৰে, যদি এই উদ্দেশ্য বিশেষ কোনো ব্যক্তিৰ উপকাৰত আহে, তেতিয়া হ'লে হ'ব ব্যক্তিগত ন্যাস আৰু যদি সেয়া সৰ্বসাধাৰণ ৰাইজ বা সমগ্ৰ জনগণৰ উপকাৰত আহে, তেতিয়া হ'লে সেইটোক ক'ব লাগিব ৰাজহুৱা ন্যাস।

এই আইনৰ ধাৰা 20-ত আছে ন্যাসৰ বিনিয়োগ সম্বন্ধীয় কথা, এইটো পৰিচালনা কৰে বিত্ত মন্ত্ৰণালয়ৰ অৰ্থনীতি বিষয়ক বিভাগে।

যিটো ন্যাস সম্পত্তিত ধন আছে, সেই ধন লগে লগে বা অতি সোণকালে ন্যাসৰ উদ্দেশ্যত ব্যৱহাৰ কৰিব পৰা নাযাব, ন্যাসৰক্ষকে সেই ধন আন কোনো প্ৰতিভূতিত বিনিয়োগ কৰিবলৈ বাধ্য (এয়া ন্যাসৰ মাধ্যমৰ কোনো নিৰ্দেশিকাৰ অধীন) এই বিনিয়োগ কৰাৰ কথাটো ন্যাসৰ মাধ্যমৰ (বা কেন্দ্ৰীয় চৰকাৰৰ) দ্বাৰা স্বীকৃত হ'ব লাগিব, আৰু এইটো কথাৰ জাননী প্ৰকাশ কৰিব লাগিব চৰকাৰী গেজেটত।

2009 চনৰ আগষ্ট মাহত বিত্ত মন্ত্ৰণালয়ে ভাৰত ন্যাস (সংশোধন) বিল 2009 হিচাপে এই ধাৰা সংশোধনৰ কাৰণে লোকসভাত উত্থাপন কৰিছিল। ন্যাসৰ ধন বিনিয়োগ কৰাৰ কাৰণে চৰকাৰে যাতে প্ৰতিভূতিৰ শ্ৰেণী নিৰ্ধাৰণ কৰিব পাৰে, আৰু নতুন কোনো প্ৰতিভূতিৰ প্ৰৱৰ্তন কৰিবলৈ যাওঁতে চৰকাৰে যাতে এটাৰ পিছত এটা কেছ চালি জাৰি চাবলগীয়া নহয়, সেই কাৰণে চৰকাৰক ক্ষমতা প্ৰদান কৰে এই সংশোধনে। এই আইনৰ অধীনত পঞ্জীয়নভুক্ত হোৱা ব্যক্তিগত ন্যাসসমূহক আইনী উদ্দেশ্যত এনেকৈ সীমাবদ্ধ কৰি ৰাখিছে ভাৰতীয় ন্যাস বিল 2009। ইয়াৰ অধীনত ৰাজহুৱা ন্যাস, ৰাজহুৱা বা ব্যক্তিগত ধৰ্মীয় বা দাতব্য পুঁজিক অন্তৰ্ভুক্ত কৰা হোৱা নাই।

ন্যাসৰ পঞ্জীকৰণৰ কাৰণে প্ৰয়োজন হয়— ন্যাস সম্পত্তিৰ বৈধ মালিক, তেৱেঁই ন্যাসৰক্ষক আৰু তেওঁৰ নামতেই ন্যাস সম্পত্তি ন্যাস্ত থাকিব। হিতাধিকাৰীসকলৰ ভালৰ কাৰণে ন্যাসৰ সম্পত্তিক ধৰি ৰাখে ন্যাসৰক্ষকে। ভাৰতৰ বেলেগ বেলেগ ৰাজ্যত বেলেগ বেলেগ বিধায়িনী ন্যাস আইন আছে। জম্মু কাশ্মীৰ আৰু আন্দামান নিকোবৰ দ্বীপপুঞ্জৰ বাহিৰে আন যিবোৰ ৰাজ্যত ৰাজ্যিক ন্যাস আইন নাই, সেই ৰাজ্যসমূহত ভাৰতীয় ন্যাস আইন, 1882-ৰ সাধাৰণ নিয়মসমূহ প্ৰযোজ্য হ'ব।

ভাৰতীয় ন্যাস আইন অপৰিৱৰ্তনীয়। ন্যাসৰক্ষকৰ অবহেলাৰ কাৰণে যদি কোনো ন্যাস নিষ্ক্ৰিয় বা অপ্ৰয়োজনীয় হৈ ৰয়, তেতিয়া সেই ন্যাসৰ কৰ্মকাণ্ডক পুনৰ সজীৱ কৰি তোলাৰ কাৰণে পদক্ষেপ ল'ব পৰা ক্ষমতা আছে দাতব্য কমিছনাৰৰ। তদুপৰি ন্যাসৰ উদ্দেশ্যসমূহ আগবঢ়াই লৈ যোৱাটো অধিক জটিল হৈ উঠিলে ন্যাসৰ উদ্দেশ্যসমূহক পৰিৱৰ্তন কৰাৰ কাৰণে যিমান দূৰ সম্ভৱ পৰিৱৰ্তন কৰাৰ নীতি প্ৰয়োগ কৰিব লাগিব। এনেকৈ দাতাই এই কথাত নিশ্চিত হৈ থাকিব পাৰিব যে, ন্যাসৰ প্ৰকৃত আৰু বিশেষ উদ্দেশ্য পূৰণ কৰা নহ'লেও ইয়াৰ দাতব্য স্বৰূপক অক্ষুণ্ণ ৰখা হ'ব।

## আয়কৰ আইন 1961:

1 এপ্ৰিল 1962 তাৰিখৰপৰা কাৰ্যকৰ হৈছিল আয়কৰ আইন 1961। ইয়াৰ ব্যৱস্থা আৰু গাঁথনিত পৰিৱৰ্তন লৈ অহাৰ কাৰণে সময়ে সময়ে বহু বছৰ ধৰি এই আইনৰ সংশোধন কৰা হৈছে। এনেকুৱা কেইটামান গুৰুত্বপূৰ্ণ সংশোধন হ'ল:

- কৰাৰোপণ নীতি সংশোধন আইন 1984
- প্ৰত্যক্ষ কৰ সংশোধন আইন 1987
- 1988 আৰু 1989–ৰ প্ৰত্যক্ষ কৰ নীতি (সংশোধন) আইন
- কৰাৰোপণ নীতি (সংশোধন) আইন 1991

এই আইনৰ 2 (15) ধাৰাত 'দাতব্য উদ্দেশ্য'-ৰ সংজ্ঞা নিৰ্ধাৰণ কৰাৰ সময়ত এই বিষয়সমূহক অন্তৰ্ভুক্ত কৰা হৈছে:

(ক) দুখীয়াসকলক ত্ৰাণ
(খ) শিক্ষা
(গ) চিকিত্সা সাহায্য
(ঘ) মিনাৰ আৰু ঐতিহাসিক তথা শৈল্পিক গুৰুত্ব থকা ঠাই বা বস্তুৰ সংৰক্ষণ
(ঙ) সাধাৰণ ৰাজহুৱা সুবিধা সম্বন্ধীয় বস্তুৰ উন্নতিসাধন
(চ) যোগ

কৰ আদায়ৰ বাবে সম্পত্তি আৰু উপাৰ্জনৰ পৰিমাণ নিৰ্ধাৰণৰ বৰ্ষ 2009-10-ৰ আগত দাতব্য ন্যাস বা প্ৰতিষ্ঠানৰ ব্যৱসায়িক আয় কৰ ৰেহাইৰ আওতাত পৰিব, অৱশ্যে এইটো চাব লাগিব যে, সেই ব্যৱসায়ৰপৰা আয় হৈছে প্ৰতিষ্ঠানৰ উদ্দেশ্য পূৰণ কৰিবলৈ যাওঁতে, আৰু তেনে ব্যৱসায়ৰ বেলেগ এটা হিচাপৰ বহী থাকিব লাগিব। 01.04.2009-ৰপৰা কাৰ্যকৰ হোৱা (অৰ্থাত্‌কৰ আদায়ৰ বাবে সম্পত্তি আৰু উপাৰ্জনৰ পৰিমাণ নিৰ্ধাৰণৰ বৰ্ষ 2009-10-ৰপৰা) আইন অনুসৰি 'সাধাৰণ ৰাজহুৱা সুবিধা সম্বন্ধীয় বস্তুৰ উন্নতিসাধন' অৱশ্যে 'দাতব্য উদ্দেশ্য' বুলি যোগ্যতা অৰ্জন কৰিব নোৱাৰে, যদি তাৰ কৰ্মকাণ্ডৰ স্বৰূপ বেপাৰ, বাণিজ্য বা ব্যৱসায়ৰ দৰে হয় বা বা কোনো বেপাৰ, বাণিজ্য বা ব্যৱসায়ৰ উদ্দেশ্য লৈ সেৱা আগবঢ়াই থাকে। এনেকুৱা কৰ্মকাণ্ডৰপৰা হোৱা আয়ৰ স্বৰূপ আৰু ব্যৱহাৰ যেনেকুৱাই নহওক কিয়, সকলো ক্ষেত্ৰতেই এই বিধিনিষেধ কাৰ্যকৰ হ'ব। অৱশ্যে এই সংশোধনৰ কঠোৰ নিয়মক সামান্য হ্ৰাস কৰা হৈছে বিত্তীয় আইন 2010-ৰ দ্বাৰা লৈ অহা পৰৱৰ্তী সংশোধনৰ জৰিয়তে (এয়াও 01.04.2009-ৰপৰাই কাৰ্যকৰ হ'ব বুলি কোৱা হৈছে)। এই সংশোধনত কোৱা হৈছে যে প্ৰদত্ত বিত্তীয় বৰ্ষত এনেকুৱা কৰ্মকাণ্ডৰপৰা যদি ভাৰতীয় মুদ্ৰাত গড় হিচাপত 10 লাখ টকাৰ অধিক উপাৰ্জন নহয়, তেতিয়া হ'লে 'সাধাৰণ ৰাজহুৱা সুবিধা সম্বন্ধীয় বস্তুৰ উন্নতিসাধন'-এও 'দাতব্য উদ্দেশ্য' বুলি যোগ্যতা অৰ্জন কৰিব পাৰিব। 2011 চনৰ সংশোধনত উল্লেখ কৰা হৈছে যে, সাধাৰণ ৰাজহুৱা সুবিধা বিলৰ কোনো উদ্দেশ্য দাতব্য উদ্দেশ্য বুলি বিবেচিত হ'ব নোৱাৰিব, যদি সিহঁতৰ কৰ্মকাণ্ডৰ স্বৰূপ হয় বেপাৰ, বাণিজ্য আৰু ব্যৱসায়ৰ দৰে, যদি সিহঁত কোনো মাচুল বা চেহ লৈ কোনো সেৱা প্ৰদান কৰে কোনো বেপাৰ, বাণিজ্য আৰু ব্যৱসায়ৰ উদ্দেশ্য লৈ, আৰু সিহঁত যদি দাতব্য উদ্দেশ্যৰ প্ৰতিষ্ঠান হিচাপে বিবেচিত হ'ব বিচাৰে, তেতিয়া হ'লে এই নিয়মবোৰৰ লগতে এইটোও সিহঁত মানি চলিব লাগিব যে, সিহঁতৰ উপাৰ্জন যাতে কোনো বিত্তীয় বৰ্ষতেই ভাৰতীয় মুদ্ৰাত 25 লাখৰ অধিক নহয়। 2010 চনলৈকে সীমাৰেখা আছিল 10 লাখ টকালৈকে আৰু বিত্তীয় আইন 2011-ত এয়া বৃদ্ধি কৰি কৰা হৈছে 25 লাখ। অৱশ্যে বিত্তীয় বিল 2015-ত যোগক 'দাতব্য উদ্দেশ্য'-ৰ সংজ্ঞাৰ অধীনত বিশেষ শ্ৰেণীৰ কৰ্মকাণ্ড হিচাপে অন্তৰ্ভুক্ত কৰাৰ কাৰণে সংশোধনৰ প্ৰস্তাৱ আগবঢ়োৱা হৈছে। ইয়াত সেই সকল প্ৰকৃত দাতব্য সংগঠনসমূহৰ ব্যৱসায়িক কৰ্মকাণ্ডকো ৰেহাই দিয়াৰ কথা কোৱা হৈছে, যিবোৰৰ এনে কৰ্মকাণ্ডৰপৰা হোৱা গড় আয় মুঠ আয়তকৈ 20 শতাংশ কম।

আয়কৰ নীতি 1962-ৰ নিয়ম 17A আৰু ফৰ্ম 10A-ৰ সংশোধনৰ কাৰণে 17 অক্ট'বৰ 2017 তাৰিখে এটা খচৰা অধিসূচনা জাৰী কৰিছিল প্ৰত্যক্ষ কৰ সম্বন্ধীয় কেন্দ্ৰীয় পৰ্ষদ (চিবিডিটি)।

দ্ৰষ্টব্য বিত্তীয় আইন 2017 হ'ল উপধাৰাত সন্নিৱিষ্ট নতুন এটা ধাৰা (ab)।

1. 01.04.2018 তাৰিখৰপৰা কাৰ্যকৰ হোৱা আয়কৰ আইন, 1961 (আইন)-ৰ ধাৰা 12A-ত কোৱা হৈছে যে, যিবোৰ ন্যাস বা প্ৰতিষ্ঠানক ধাৰা 12A আৰু 12AA অনুসৰি পঞ্জীয়নভুক্ত কৰা হৈছে, সেই ন্যাস বা প্ৰতিষ্ঠানসমূহে যদি পঞ্জীয়নভুক্ত হোৱাৰ পিছত এনেকুৱা কোনো উদ্দেশ্য গ্ৰহণ কৰে বা আগৰ উদ্দেশ্যৰ কিঞ্চিদ্বৰ্ধন কৰে, যাৰ কথা পঞ্জীয়নত উল্লিখিত চৰ্তৰ লগত নিমিলে, তেতিয়া হ'লে তেনে নতুন উদ্দেশ্য গ্ৰহণ বা আগৰ উদ্দেশ্যৰ কিঞ্চিদ্বৰ্ধনৰ তাৰিখৰপৰা ত্ৰিছ দিনৰ ভিতৰত আকৌ নতুনকৈ পঞ্জীয়নভুক্তিৰ বাবে আৱেদন জনাব লাগিব তেনে ন্যাস বা প্ৰতিষ্ঠানে।

2. 2017 চনত বিত্তীয় বিলৰ সৈতে সংসদত উত্থাপিত প্ৰতিনিধিমূলক বিধায়িনী সম্বন্ধীয় স্মাৰকলিপি অনুসৰি কোনো ন্যাস বা প্ৰতিষ্ঠানে নিজৰ উদ্দেশ্যৰ কিঞ্চিদ্বৰ্ধন কৰাৰ পিছতেই মুখ্য নতুনকৈ পঞ্জীকৰণৰ কাৰণে কমিছনাৰ বা কমিছনাৰৰ ওচৰত 12 (1) (ab) উত্থাপন কৰিব লাগিব আৰু যিটো প্ৰপত্ৰ আৰু উপায়ত পঞ্জীয়ন কৰিব লাগিব, তাৰ বিধান দিব লাগিব।

   2.1 এই আইনৰ 12A ধাৰা অনুসৰি কোনো দাতব্য বা ধৰ্মীয় ন্যাসৰ পঞ্জীয়নৰ বাবে আৱেদন জনোৱাৰ নিয়মসমূহ উল্লেখ কৰা হৈছে আয়কৰ নীতি 1962 (নীতি)-ৰ নীতি 17A-ত। নিয়ম অনুসৰি এই আইনৰ 12A ধাৰা অনুসৰি কোনো দাতব্য বা ধৰ্মীয় প্ৰতিষ্ঠানৰ পঞ্জীয়নৰ বাবে ফৰ্ম 10A-ত আৱেদন জনাব লাগিব।

3. এই আইনৰ উল্লিখিত সংশোধনৰ পিছতেই নীতি 17A আৰু ফৰ্ম 10A-ৰ সংশোধনৰ প্ৰস্তাৱো উত্থাপন কৰা হৈছে। এই প্ৰসংগত এটা খচৰা অধিসূচনা প্ৰস্তুত কৰা হৈছে, সেইটো তলত উল্লেখ কৰা হ'ল:

বৰ্তমান নীতি 17A-ৰ কাৰণে আয়কৰ নীতি 1962-ত (এতিয়াৰপৰা নীতি হিচাপে উল্লেখ কৰা হ'ব), অংশ IV-ত নিম্নলিখিত নিয়মবোৰ সলনি কৰা হ'ব। যেনে:

দাতব্য বা ধৰ্মীয় ন্যাস ইত্যাদিৰ পঞ্জীয়নৰ বাবে আৱেদন।

# নীতি 17A

1. 12A ধাৰাৰ উপধাৰা (1)-ৰ দফা (aa) আৰু দফা (ab) অনুসৰি দাতব্য বা ধৰ্মীয় ন্যাস বা প্ৰতিষ্ঠানৰ পঞ্জীয়নৰ বাবে ফৰ্ম 10A-ত আৱেদন কৰিব লাগিব। ইয়াৰে লগত তলত উল্লিখিত নথিপত্ৰসমূহ দিব লাগিব:

   (ক) কোনো এটা মাধ্যমৰ অধীনত যেতিয়া কোনো ন্যাস গঠন কৰা হয় বা কোনো প্ৰতিষ্ঠান স্থাপিত হয়, তেতিয়া সেই ন্যাস গঠন কৰা বা প্ৰতিষ্ঠান স্থাপন কৰা মাধ্যমৰ আত্ম-প্ৰত্যয়িত কপি।

   (খ) এই মাধ্যমৰ বাহিৰে আন কোনো উপায়ত কোনো এটা ন্যাস গঠিত হ'লে বা প্ৰতিষ্ঠান স্থাপিত হ'লে, সেই ন্যাস গঠিত হোৱাৰ বা প্ৰতিষ্ঠান স্থাপিত হোৱাৰ প্ৰমাণ থকাৰ নথিৰ আত্মপ্ৰত্যয়িত কপি।

   (গ) ৰেজিষ্ট্ৰাৰ অৱ কোম্পানী বা ৰেজিষ্ট্ৰাৰ অৱ ফাৰ্ম এণ্ড চ'চাইটিজ বা ৰেজিষ্ট্ৰাৰ অৱ পাবলিক ট্ৰাষ্টৰ মাজত প্ৰযোজ্য যি কোনো এটাত পঞ্জীয়ন কৰা থাকিলে তাৰ আত্ম-প্ৰত্যয়িত কপি।

   (ঘ) যদি কোনো উদ্দেশ্য গ্ৰহণ কৰা হয় বা কোনো উদ্দেশ্যৰ কিঞ্চিদ্বৰ্ধন কৰা হয়, তেতিয়া হ'লে তাৰ প্ৰমাণ থকা নথিৰ আত্ম-প্ৰত্যয়িত কপি।

   (ঙ) যদি কোনো ন্যাস বা প্ৰতিষ্ঠান কোনো এটা বিত্তীয় বৰ্ষত পঞ্জীয়নৰ বাবে আৱেদন জনোৱাৰ আগৰে পৰা কেইটামান বছৰ বা এবছৰ ধৰি চলি থাকে, তেতিয়া হ'লে সেই বছৰ কেইটাত (পঞ্জীয়নৰ বাবে উক্ত আৱেদন জনোৱাৰ আগৰ এই বছৰ কেইটা তিনি বছৰৰ অধিক হ'ব নোৱাৰিব) সেই ন্যাস বা প্ৰতিষ্ঠানৰ যি যি হিচাপ-কিতাপ কৰা হৈছিল, সেইসমূহৰ আত্ম-প্ৰত্যয়িত কপি।

   (চ) ন্যাস বা প্ৰতিষ্ঠানৰ ক্ৰিয়াকলাপৰ টোকা।

   (ছ) ধাৰা 12 (A) বা ধাৰা 12 (AA)-ৰ মাজত যিটো প্ৰযোজ্য তাৰ অধীনত পঞ্জীয়ন কৰাৰ বাবে অনুমোদিত বৰ্তমান আদেশৰ আত্মপ্ৰত্যয়িত কপি আৰু

   (জ) পঞ্জীয়নৰ আৱেদন বাতিল কৰাৰ আদেশৰ আত্ম-প্ৰত্যয়িত কপি।

2. ফৰ্ম 10A ইলেকট্ৰনিক পদ্ধতিত পূৰণ কৰিব লাগিব।

   i) ডিজিটেল স্বাক্ষৰৰ সৈতে আয়কৰ জমা দিয়া হ'লে ডিজিটেল স্বাক্ষৰ দিব লাগিব।

   ii) যিটো বিষয় উপধাৰা (i)-ৰ অধীনস্থ নহয়, সেইটোৰ কাৰণে ইলেকট্ৰনিক ভেৰিফিকেশ্বন কোডৰ প্ৰয়োজন হ'ব।

3. কৰদাতাৰ ক্ষেত্ৰত প্ৰযোজ্য আয়কৰ আইনৰ ধাৰা 140-ৰ অধীনত যিজন ব্যক্তি আয়কৰ জমা দিয়াৰ দিশটোৰ সত্যাসত্য নিৰ্ণয় বা ভেৰিফিকেশ্বন কৰে, তেৱেঁই উপনীতি (1)-ত উল্লিখিত ফৰ্ম 10A-ৰ সত্যাসত্য নিৰ্ণয় কৰিব।

4. প্ৰিন্সিপাল ডিৰেক্টৰ জেনাৰেল অৱ ইনকাম টেক্স (চিষ্টেম) বা ডিৰেক্টৰ জেনাৰেল অৱ ইনকাম টেক্স (চিষ্টেম), এওঁলোকৰ মাজত যাৰ আদেশ প্ৰযোজ্য, তেৱেঁই ডেটা ষ্ট্ৰাকচ্চাৰ, ফৰ্ম 10A পূৰণ কৰা আৰু তাৰ সত্যাসত্য নিৰ্ণয় কৰাৰ মানদণ্ড আৰু পদ্ধতি নিৰ্ধাৰণ কৰি দিব, আৰু উক্ত ফৰ্ম পূৰণ কৰা সম্বন্ধীয় সুৰক্ষা, আৰ্কাইভেল আৰু ৰিট্ৰিভেল পলিচিও নিৰ্ধাৰণ তথা ৰূপায়ণৰ দায়িত্ব তেওঁৰে।

## ফৰেন কন্ট্ৰিবিউশ্বন (ৰেগুলেশ্বন) এক্ট 2010:

নিৰ্দিষ্ট কোনো ব্যক্তি বা সংস্থা বা কোম্পানীয়ে কেনেকৈ বিদেশী বৰঙণি বা বিদেশী সাহায্য গ্ৰহণ বা ব্যৱহাৰ কৰিব সেইটোক নিয়ন্ত্ৰণ কৰাৰ কাৰণে আৰু সেই বৰঙণি বা সাহায্য লৈ তেওঁলোকে যাতে ৰাষ্ট্ৰৰ স্বাৰ্থত আঘাত কৰাকৈ কোনো কাম কৰিব নোৱাৰে বা তেওঁলোকৰ কামৰ দ্বাৰা যাতে ৰাষ্ট্ৰৰ স্বাৰ্থত কোনো আঘাত আহি নপৰে, সেই কাৰণেই এই আইন গঠন কৰা হৈছিল। যিবোৰ স্বেচ্ছাসেৱী সংগঠন বিদেশী অৰ্থ সাহায্য গ্ৰহণ কৰে, সিহঁতৰ কাৰণে এফচিআৰএ-ৰ প্ৰয়োজন আছে।

এই আইন আচলতে 1976 চনত প্ৰৱৰ্তিত হৈছিল। ফৰেন কন্ট্ৰিবিউশ্বন (ৰেগুলেশ্বন) এক্ট 2010 হ'ল সেই আইনৰ কিঞ্চিদ্বৰ্ধিত ৰূপ। এই আইনত কোৱা হৈছে যে, বিদেশী অৰ্থ সাহায্য গ্ৰহণ আৰু ব্যৱহাৰৰ বাবে প্ৰদান কৰা চাৰ্টিফিকেটখনৰ ম্যাদ পাচ বছৰ, আৰু সেই ম্যাদ উকলি যোৱাৰ ছয় মাহ আগতেই সেইটোৰ পুনৰ্নৱীকৰণ কৰিব লাগিব।

এই আইনৰ অধীনত যি উদ্দেশ্যত আৰু যি পৰিমাণ বিদেশী অৰ্থ সাহায্য গ্ৰহণ আৰু ব্যৱহাৰৰ সীমা বান্ধি দিয়া হৈছে, তাতকৈ আন কোনো উদ্দেশ্যত আৰু অধিক পৰিমাণ বিদেশ্য অৰ্থ সাহায্য গ্ৰহণ আৰু ব্যৱহাৰৰ বাবে আগতীয়াকৈ অনুমোদনো ল'ব পৰা যাব।

2016 চনৰপৰা এফচিআৰএ-ৰ অধীনৰ কৰ্মকাণ্ড সম্পূৰ্ণ ডিজিটেল মাধ্যমত চলি আছে। এইটো পাচ বছৰৰ মূৰে মূৰে পুনৰ্নৱীকৰণ কৰিব লাগে। প্ৰথম 2016 চনত পুনৰ্নৱীকৰণৰ আৱেদন জনোৱা হৈছিল।

4 অক্ট'বৰ 2017 তাৰিখে গৃহ মন্ত্ৰণালয়ৰ এফচিআৰএ শাখাই ৰাজহুৱা জাননী জাৰী কৰি কৈছিল, এফচিআৰএ পঞ্জীয়নভুক্ত সংগঠনসমূহে আৰু যিবোৰ সংগঠনে পঞ্জীয়নৰ বাবে বা আগতীয়া অনুমোদনৰ বাবে আৱেদন জনাব বিচাৰে বা বিদেশী অৰ্থ সাহায্য গ্ৰহণ কৰে, সেই সংগঠনসমূহে নিজৰ নিজৰ নাম নীতি আয়োগৰ অনলাইন পোৰ্টেল দৰ্পণ-ৰ জৰিয়তে পঞ্জীয়নভুক্ত কৰাব লাগিব। পঞ্জীয়ন কৰাৰ কাৰণে সংগঠনৰ পান নম্বৰ, ইমেইল, মবাইল নম্বৰ, ইউনিক আইডেণ্টিফিকেশ্বন নম্বৰ উলিওৱাৰ কাৰণে এজন চীফ ফাংশ্বনেৰীৰ নাম সহ সকলো তথ্য প্ৰদান কৰিব লাগিব, পিছলৈ যদি পঞ্জীয়ন/আগতীয়া অনুমোদন/পুনৰ্নৱীকৰণ/তথ্য পৰিৱৰ্তন/বাৰ্ষিক আয়কৰ জমা দিয়াৰ তথ্য আপলোড কৰিবলগীয়া হয়, তেতিয়া প্ৰদত্ত তথ্যসমূহৰ প্ৰয়োজন হ'ব।

## ইণ্ডিয়ান কোম্পানীজ এক্ট **2013** (ধাৰা **8**)

কোম্পানী এক্ট 1956-ৰ ৰূপ হ'ল ইণ্ডিয়ান কোম্পানীজ এক্ট 2013। এই আইনৰ ধাৰা 8-ৰ অধীনত কোম্পানীসমূহে অলাভজনক সংস্থাৰ মৰ্যাদা লাভ কৰিব পাৰে।

ইণ্ডিয়ান কোম্পানীজ এক্ট 2013-ৰ ধাৰা 8 (1) (a) অনুসৰি বাণিজ্য, শিল্প, বিজ্ঞান, শিক্ষা, গৱেষণা, সমাজ কল্যাণ, ধৰ্ম, পৰিৱেশ সুৰক্ষা ইত্যাদিৰ প্ৰসাৰৰ কাৰণে ধাৰা 8 কোম্পানী স্থাপন কৰিব পৰা যাব। এই আইনত শিক্ষা, গৱেষণা, সমাজ কল্যাণ, পৰিৱেশ সুৰক্ষাৰ প্ৰসাৰক অন্তৰ্ভুক্ত কৰা হৈছে কাৰণে ধাৰা 8 কোম্পানীসমূহৰ কাম কৰাৰ ক্ষেত্ৰখন বৃদ্ধি পাইছে, আগৰ আইনটোত এইবোৰৰ উল্লেখ নাছিল। ইয়াৰ দ্বাৰাই সামাজিক উন্নয়নৰ প্ৰসাৰৰ ক্ষেত্ৰত চৰকাৰৰ মনোভাৱৰ পৰিচয় পোৱা যায়। ধাৰা 8 কোম্পানীৰ যদি কোনো আৰ্থিক লাভ হয় বা কিবা আয় হয়, সেই লাভ বা আয়ৰ অৰ্থ উল্লিখিত কামৰ প্ৰসাৰৰ কামত ব্যৱহাৰ কৰিব লাগিব, সেই অৰ্থ কোম্পানীৰ সদস্যসমূহৰ মাজত ভগাই ল'ব পৰা নাযাব।

কোম্পানীৰ নামৰ পিছত ‘লিমিটেড’ বা ‘প্ৰাইভেট লিমিটেড’ শব্দ যুক্ত নকৰাকৈ কোম্পানী আইনৰ ধাৰা 8-ৰ অধীনত লাইচেন্স ল’বলৈ হ’লে আৱেদনকাৰী সংস্থাই তলত উল্লিখিত নথিসমূহ জমা কৰিব লাগিব।

- সংস্থাৰ স্মাৰকলিপি আৰু অনুচ্ছেদসমূহৰ সৈতে সম্পত্তিৰ বিৱৰণ আৰু সংগঠনৰ উদ্দেশ্যৰ চমু বিৱৰণ সহ অন্যান্য আৰু বহু কেইটা নথিপত্ৰ।
- যিবোৰ কোম্পানী, সংস্থা বা অন্যান্য প্ৰতিষ্ঠানত তেনে প্ৰমটাৰসকলে ডিৰেক্টৰ হৈ আছে বা আন কোনো পদত আছে, সেই কোম্পানী, সংস্থা বা অন্যান্য প্ৰতিষ্ঠানৰ তালিকা আৰু তেওঁলোকে কি কি পদত অধিষ্ঠিত হৈ আছে, তাৰো বিৱৰণ দিব লাগিব।
- ভৱিষ্যতত বাৰ্ষিক আয় আৰু ব্যয় কিমান হ’ব তাৰ এটা আনুমানিক হিচাপ দিব লাগিব, লগতে আয়ৰ উত্স আৰু ব্যয়ৰ কাৰণ উল্লেখ কৰিব লাগিব।
- কামৰ চমু বিৱৰণ থকা এটা বিবৃতি।
- কিহৰ ভিত্তিত আৱেদন জনোৱা হৈছে, সেয়া উল্লেখ কৰি এটা বিবৃতি জমা দিব লাগিব।
- য’নে য’নে আৱেদন জনাব, তেওঁলোকে প্ৰত্যেকেই এইটো কথা ঘোষণা কৰিব লাগিব যে, তেওঁ মানসিকভাৱে সম্পূৰ্ণ সুস্থ, তেওঁ আগতে কোনো অপৰাধৰ বাবে আদালতৰ দ্বাৰা দোষী সাব্যস্ত হোৱা নাই আৰু ডিৰেক্টৰ বা সঞ্চালক হিচাপে নিযুক্ত হোৱাৰ যোগ্য।

ধাৰা 8 কোম্পানীত ন্যূনতম সদস্য সংখ্যা হ’ব লাগিব দুইজন। ইয়াৰ অধিক সদস্য থাকিব নোৱাৰিব। ধাৰা 8 কোম্পানীৰ পৰিচালন সমিতিৰ গাঁথনি চ’চাইটিৰ দৰেই হ’ব। এইটো পৰিচালিত হ’ব, ডিৰেক্টৰ বা মেনেজিং কমিটি বা ইয়াৰ সদস্যসকলৰ দ্বাৰা নিৰ্বাচিত মেনেজিং কাউন্সিলৰ দ্বাৰা। এই আইত এই নিয়মো প্ৰৱৰ্তিত হৈছে যে, এই আইনৰ অধীনত গঠিত যি কোনো কোম্পানী পৰস্পৰৰ সৈতে সন্মিলিত হ’ব পাৰিব, কিন্তু সিহঁতৰ উদ্দেশ্য একে হ’ব লাগিব।

ধাৰা 8 কোম্পানীক ভংগ কৰিব পৰা যাব, অৱশ্যে তাৰে আগতে কোম্পানীৰ সকলো ঋণ আৰু দায়বদ্ধতাৰ নিষ্পত্তি কৰি দিব লাগিব আৰু ভংগ হৈ যোৱা কোম্পানীৰ সম্পত্তি আৰু পুঁজি আন এটা কোম্পানীক প্ৰদান বা হস্তান্তৰ কৰিব লাগিব, অৱশ্যে ভংগ হৈ যোৱা কোম্পানীৰ যি যি উদ্দেশ্য আছিল, সেই উদ্দেশ্যসমূহ সম্পত্তি লাভ কৰা কোম্পানীৰো হ’ব লাগিব। কোম্পানীৰ সদস্যসমূহৰ মাজতেই পুঁজি ভগোৱাই লোৱাটো অবৈধ।

এই আইনৰ ধাৰা 8 (11) অনুসৰি কোম্পানীয়ে যদি কোনো নিয়ম পালন কৰিবলৈ ব্যৰ্থ হয়, তেতিয়া হ'লে তাৰ শাস্তি স্বৰূপ ভাৰতীয় মুদ্ৰাত 1 লাখ টকাৰপৰা 10 লাখ টকালৈকে জৰিমণা হ'ব। নিয়ম ভংগ কৰা কোম্পানীৰ ডিৰেক্টৰ আৰু প্ৰতিজন অফিচাৰৰ তিনি বছৰলৈকে কাৰাদণ্ড হ'ব বা সৰ্বনিম্ন 25,000 টকাৰপৰা সৰ্বাধিক 25 লাখ টকালৈকে জৰিমণা ভৰিব লাগিব, বা কাৰাদণ্ড আৰু জৰিমণা এই দুয়োটা শাস্তিই একেলগে ভুগিব লাগিব। 1956-ৰ আইনটো নিয়মভংগকাৰীসকলৰ কাৰণে অলপ শিথিল আছিল।

## লোকপাল আৰু লোকায়ুক্ত আইন **2013**

চৰকাৰী কোনো কাৰ্যালয়ৰ বিৰুদ্ধে কোনো অভিযোগ উত্থাপিত হ'লে বা সিহঁতৰ কোনো কামৰ ফলত দুৰ্নীতি সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হ'লে সেই অভিযোগৰ সত্যাসত্য নিৰ্ণয় কৰাৰ কাৰণে কেন্দ্ৰত লোকপাল আৰু ৰাজ্যসমূহত লোকায়ুক্ত গঠন যাতে কৰিব পৰা যায়, তাৰ বাবেই এই আইন।

এই আইনৰ অন্যান্য নীতিৰ অধীনস্থ ধাৰা 14 অনুসৰি লোকপালে যাৰ যাৰ বিৰুদ্ধে উত্থাপিত অভিযোগৰ ভিত্তিত দুৰ্নীতিৰ লগত জড়িত, দুৰ্নীতিৰপৰা উদ্ভূত, দুৰ্নীতিৰ



লগত যুক্ত যি কোনো বিষয়ৰ অনুসন্ধান চলাব পাৰে বা অনুসন্ধান আদেশ দিব পাৰে, সেইসকলে হ'ল: (ছ) যি কোনো ব্যক্তি বা ন্যাসৰ সমাজ বা সংস্থাৰ (প্ৰচলিত বা অপ্ৰচলিত যি কোনো আইন অনুসৰি পঞ্জীয়নভুক্ত নহওক কিয়) বা যি নামেৰেই সংস্থা নাথাকক কিয়, সেই সংস্থাৰ এনেকুৱা কোনো ব্যক্তি, যিজনাই উক্ত সংস্থাৰ ডিৰেক্টৰ, মেনেজাৰ বা চেক্ৰেটাৰী পদত অধিষ্ঠিত বা উক্ত পদত বহুদিন ধৰি আছে বা আন যি কোনো অফিচাৰ, সেই সংস্থা আংশিকভাৱে বা সম্পূৰ্ণভাৱে চৰকাৰী সাহায্যত চলি থকা হ'ব পাৰে, বা যি সংস্থাৰ আয় কেন্দ্ৰীয় চৰকাৰে নিৰ্ধাৰণ কৰি দিয়া আয়ৰ পৰিমাণতকৈ অধিক, (জ) যি কোনো ব্যক্তি বা ন্যাসৰ সমাজ বা সংস্থাৰ (প্ৰচলিত বা অপ্ৰচলিত যি কোনো আইন অনুসৰি পঞ্জীয়নভুক্ত নহওক কিয়) বা যি নামেৰেই সংস্থা নাথাকক কিয়, সেই সংস্থাৰ এনেকুৱা কোনো ব্যক্তি, যিজনাই উক্ত সংস্থাৰ ডিৰেক্টৰ, মেনেজাৰ বা চেক্ৰেটাৰী পদত অধিষ্ঠিত বা উক্ত পদত বহুদিন ধৰি আছে বা আন যি কোনো অফিচাৰ, আৰু সেই সংস্থাই ফৰেইন কন্ট্ৰিবিউশ্বন (ৰেগুলেশ্বন) এক্ট 2010 অনুসৰি বিদেশী অৰ্থ সাহায্য গ্ৰহণ কৰে কিন্তু সেই সাহায্য গ্ৰহণ কৰাৰ মাত্ৰা কেন্দ্ৰীয় চৰকাৰে নিৰ্ধাৰণ কৰি দিয়া মাত্ৰাতকৈ অধিক হৈ গৈছে। ব্যাখ্যা— উপধাৰা (চ) আৰু (ছ) -ৰ কাৰণে ইয়াৰ দ্বাৰা স্পষ্ট কৰা হ'ল যে, যি কোনো সংস্থা বা প্ৰতিষ্ঠান, সেয়া যি নামেৰেই জনাজাত নাথাকক কিয়, যেনে কৰ্পোৰেট, চচাইটি, ন্যাস, ব্যক্তিসকলক লৈ গঢ়ি উঠা সংস্থা, অংশীদাৰী, একক মালিকানা, লিমিটেড লায়াবিলিটি পাৰ্টনাৰশ্বিপ (প্ৰচলিত বা অপ্ৰচলিত যি কোনো আইন অনুসৰি পঞ্জীয়নভুক্ত নহওক কিয়), সেই সংস্থা বা প্ৰতিষ্ঠান এই উপাধাৰাসমূহৰেই অন্তৰ্ভুক্ত।

# ধাৰা 44

(1) এই আইনৰ নিয়ম অনুসৰি প্ৰতিজন চৰকাৰী কৰ্মচাৰীক নিজৰ নিজৰ সম্পত্তি আৰু দায়বদ্ধতাক প্ৰকাশ কৰিব লাগিব।

(2) এজন চৰকাৰী কৰ্মচাৰীয়ে কাৰ্যালয়ত যোগদান কৰাৰ দিনৰপৰা বা কাৰ্যালয়ত পদত অধিষ্ঠিত হোৱাৰ শপথ গ্ৰহণৰপৰা ত্ৰিছ দিনৰ ভিতৰত উপযুক্ত কৰ্তৃপক্ষৰ সন্মুখত এই তথ্যসমূহ জমা দিব লাগিব: (ক) তেওঁৰ নামত বা তেওঁৰ পতি বা পত্নীৰ নামত বা তেওঁৰ উপৰত নিৰ্ভৰশীলত সন্তানৰ নামত কিমান সম্পত্তি আছে বা তেওঁলোকে প্ৰত্যকেই সেই সম্পত্তিৰ যৌথ মালিক নে স্বতন্ত্ৰ মালিক সেয়াও জনাব লাগিব আৰু তেওঁলোকৰ মাজত কোন উক্ত সম্পত্তিৰ হিতাধিকাৰী সেয়াও জনাব লাগিব। (খ) তেওঁৰ আৰু তেওঁৰ পতি বা পত্নীৰ বা তেওঁৰ সন্তানৰ নামত দায়বদ্ধতা কিমান আছে সেয়াও জনাব লাগিব।

27 জুলাই 2016 তাৰিখে সংসদত গৃহীত সংশোধন অনুসৰি আয়কৰ জমা দিয়াৰ শেষ তাৰিখ হিচাপে 31 ডিচেম্বৰ 2016-ক বাতিল কৰা হৈছে। পিছত কেন্দ্ৰীয় চৰকাৰে নতুন তাৰিখ ঘোষণা কৰিব। লোকপাল আৰু লোকায়ুক্ত আইনৰ সংশোধন লোকসভা আৰু ৰাজ্যসভাতো গৃহীত হৈছে। তলত কেইটামান গুৰুত্বপূৰ্ণ সংশোধনৰ কথা উল্লেখ কৰা হ'ল: (ক) চৰকাৰী কৰ্মকৰ্তাসকলৰ পতি বা পত্নীয়ে আৰু তেওঁলোকৰ সন্তানসকলে নিজৰ সম্পত্তি আৰু দায়বদ্ধতাৰ কথা ঘোষণা নকৰিলেও হ'ব। (খ) কৰ্মকৰ্তাসকলে 31 ডিচেম্বৰ 2016-ৰ ভিতৰত যে সম্পত্তি আৰু দায়বদ্ধতাৰ কথা ঘোষণা কৰাৰ নিয়ম আছিল, সেই তাৰিখটো বাতিল কৰা হৈছে। (গ) আটাইবোৰ চৰকাৰী কৰ্মকৰ্তাসকলে যিটো ফৰ্মত নিজৰ নিজৰ সম্পত্তি আৰু দায়বদ্ধতাৰ কথা ঘোষণা কৰিব, সেই সম্বন্ধে চৰকাৰী অধিসূচনা জাৰী কৰা হ'ব।

1 ডিচেম্বৰ 2016 তাৰিখে পাৰচনেল, পাবলিক গ্ৰীভেন্সেস এণ্ড পেন্সন, পাৰচনেল এণ্ড ট্ৰেইনিং বিভাগে এখন চাৰ্কুলাৰ জাৰী কৰিছিল, তাত কোৱা হৈছে যে, লোকপাল আৰু লোকায়ুক্ত (সংশোধন) আইন 2016 গৃহীত হোৱাৰ ফলত চৰকাৰী কৰ্মচাৰী (তথ্য প্ৰদান আৰু সম্পত্তি তথা দায়বদ্ধতাৰ কাৰণে আয়কৰ জমা কৰা আৰু আয়তকৰ জমা দিয়াৰ সময়ত কি পৰিমাণ সম্পত্তিত আয়কৰ ৰেহাই পোৱা যাব) নীতি 2014 আৰু ইয়াৰ আটাইবোৰ সংশোধিত নীতি বাতিল কৰা হ'ল।

সেই কাৰণে চৰকাৰী কৰ্মচাৰী (তথ্য প্ৰদান আৰু সম্পত্তি তথা দায়বদ্ধতাৰ কাৰণে আয়কৰ জমা কৰা আৰু আয়তকৰ জমা দিয়াৰ সময়ত কি পৰিমাণ সম্পত্তিত আয়কৰ ৰেহাই পোৱা যাব) নীতি 2014 অনুসৰি চৰকাৰী কৰ্মচাৰীসকলে এতিয়া নিজৰ সম্পত্তি আৰু দায়বদ্ধতাৰ কথা ঘোষণা কৰিব নালাগে। এই সম্বন্ধে নতুন নিয়ম তৈয়াৰ কৰাৰ কামত ব্যস্ত আছে চৰকাৰ। সংশোধিত আইন অনুসৰি চৰকাৰী কৰ্মচাৰীসকলে নিজৰ নিজৰ সম্পত্তি আৰু দায়বদ্ধতাৰ কথা কি ফৰ্মত, কেনেকৈ আৰু কিমান সময়ৰ ভিতৰত জমা কৰিব লাগিব, সেই সম্বন্ধে যথাসময়ত চৰকাৰে অধিসূচনা জাৰী কৰিব। তেতিয়া সকলো চৰকাৰী কৰ্মচাৰীয়ে নিজৰ নিজৰ সম্পত্তি আৰু দায়বদ্ধতাৰ কথা ঘোষণা কৰিবই লাগিব আৰু সেয়া নতুন নিয়ম অনুসৰিয়ে কৰিব লাগিব।



## কেন্দ্ৰীয় পণ্য আৰু সেৱা কৰ (জিএচটি) আইন **2017**

পণ্য বা সেৱা বা এই দুয়োটাৰেই একেলগে আন্তঃৰাজ্য সৰবৰাহৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে যাতে কৰ আৰোপ আৰু গ্ৰহণ কৰিব পাৰে, তাৰ বাবেই আইন আৰু ন্যায় মন্ত্ৰণালয়ৰ অধীনত এই আইন তৈয়াৰ কৰা হৈছে।

অৱশ্যে এই আইন অনুসৰি আৰডব্লিউএ বা পঞ্জীয়নভুক্ত অলাভজনক সংস্থাই যদি নিজৰ সদস্যসকলোলৈ সেৱাৰ যোগান ধৰে, তেতিয়া হ'লে সেয়া জিএচটি কৰৰ আওতাত নপৰিব। প্ৰতি মাহত সদস্য প্ৰতি এই ৰেহাই পোৱা যাব ভাৰতীয় মুদ্ৰাত 5000 টকালৈকে। প্ৰতি মাহত সদস্য প্ৰতি মাচুল 5000 টকাৰ অধিক হ'লেও সেয়া ৰেহাই হ'ব, যদি কোনো আৰডব্লিউএ-ৰ কোনো এটা বিত্তীয় বৰ্ষত গড় বাৰ্ষিক আয় থাকে ভাৰতীয় মুদ্ৰাত 20 লাখ টকালৈকে।

## জিএচটি-ৰ আওতাত নথকা সেৱাসমূহ

যদি কোনো সংগঠনে নিজৰ প্ৰদত্ত সেৱাৰ কাৰণে মাচুল গ্ৰহণ কৰে, তেতিয়া হ'লে জিএচটি-ৰ আওতাত নপৰাৰ সম্ভাৱনা সিহঁতৰ কাৰণে থাকিব পাৰে। 28 জুন 2017 তাৰিখে এখন অধিসূচনা (চিজিএচটি-ৰ অধীনত) জাৰী কৰি 81 সেৱাক (তলত কেইটামানৰ তালিকা দিয়া হৈছে) জিএচটি-ৰপৰা ৰেহাই দিছে।

## 12AA থকা সংগঠনসমূহ

এই তালিকাৰ অন্তৰ্ভুক্ত একেবাৰে প্ৰথম সেৱাটো হ'ল: দাতব্য ক্ৰিয়াকলাপৰ জৰিয়তে সেৱা প্ৰদান কৰা সেইবোৰ সংস্থা, যিসকলে আয়কৰ আইন 1961 (1961-ৰ 43)-ৰ 12AA ধাৰাৰ অধীনত পঞ্জীয়নভুক্ত।



অৱশ্যে এই তালিকাত দাতব্য ক্ৰিয়াকলাপৰ যি সংজ্ঞা দিয়া হৈছে, সেয়া অতি সংকীৰ্ণ।

দাতব্য ক্ৰিয়াকলাপ মানে হ'ল

i) ৰাজহুৱা স্বাস্থ্যৰ

(ক) যতন আৰু পৰামৰ্শ

i) জটিল শাৰীৰিক বা মানসিক ব্যাধি থকা প্ৰচণ্ড অসুস্থ ব্যক্তি বা ব্যক্তিসকলোলৈ।

ii) এইচআইভি বা এইডচ দ্বাৰা আক্ৰান্ত ব্যক্তিসকলোলৈ।

iii) মাদক বা ৰাগিয়াল বস্তুৰ নিচাত আক্ৰান্ত ব্যক্তিসকলোলৈ।

(খ) সুস্থ থকাৰ কাৰণে প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ, পৰিয়াল পৰিকল্পনা আৰু এইচআইভি সংক্ৰমণ দূৰ কৰাৰ কাৰণে জন সজাগতাৰ প্ৰসাৰ

ii. ধৰ্ম, আধ্যাত্মিকতা বা যোগৰ প্ৰসাৰ

iii. শিক্ষামূলক কৰ্মসূচী বা দক্ষতা বিকাশ সম্বন্ধীয় কৰ্মসূচীৰ প্ৰসাৰ

(ক) পৰিত্যক্ত, অনাথ বা গৃহহীন শিশু

(খ) শাৰীৰিক বা মানসিকভাৱে অত্যাচাৰিত বা আতংকগ্ৰস্ত ব্যক্তি

(গ) কাৰাবন্দী বা

(ঘ) গাঁওত বসবাস কৰা 65 বছৰৰ ঊৰ্দ্ধৰ ব্যক্তিসকল

(iv) জলবিভাজিকা, অৰণ্য আৰু বন্যপ্ৰাণী সহ পৰিৱেশ সংৰক্ষণ।

এই সংজ্ঞা অনুসৰি সৰহ ভাগ ধৰ্মীয় সংগঠনক বাহিৰত ৰখা হৈছে, অৱশ্যে এনেকুৱা কোনো সংগঠন যদি আন কোনো নিয়মৰ অধীনত পৰে, তেতিয়া হ'লে বেলেগ কথা। অৱশ্যে বহু কেইটা দাত্যব প্ৰতিষ্ঠানক জিএচটি-ৰ নিয়মৰ অধীনত ৰখা হৈছে, যিবোৰে নিজৰ প্ৰদত্ত সেৱাৰ বিনিময়ত মাচুল আদায় কৰে।

## ধৰ্মীয় ঠাইৰ প্ৰাংগণ ভাড়া

কোনো ব্যক্তি যদি-

(ক) ধৰ্মীয় অনুষ্ঠানৰ আয়োজন কৰি কোনো সেৱা আগবঢ়ায়

(খ) সৰ্বসাধাৰণৰ ধৰ্মীয় স্থানৰ প্ৰাংগণ ভাড়া দি কিবা সেৱা আগবঢ়ায়, সেই ধৰ্মীয় স্থান এনেকুৱা এটা প্ৰতিষ্ঠানৰ মালিকানাধীন হ'ব লাগিব আৰু তেওঁলোকৰ দ্বাৰা পৰিচালিত হ'ব লাগিব, যি প্ৰতিষ্ঠান ধাৰা 12AA-ৰ অধীনত দাতব্য বা ধৰ্মীয় ন্যাস হিচাপে পঞ্জীয়নভুক্ত হৈ আছে। অৱশ্যে এই ৰেহাই প্ৰযোজ্য নহ'ব, যদি:

- কোঠালীৰ ভাড়া এদিনত 1000 টকা বা তাৰ অধিক হয়।
- চ'ৰা/হল খোলা ঠাইৰ ভাড়া এদিনত 10,000 টকা বা তাৰ অধিক হয়।
- ব্যৱসায় বা বাণিজ্যৰ কাৰণে দোকান বা অন্যান্য ঠাইৰ ভাড়া 10,000 টকা বা তাৰ অধিক হয়।

## শৈক্ষিক প্ৰতিষ্ঠান

এটা শিক্ষা প্ৰতিষ্ঠানে নিজৰ পঢ়ুৱৈ, শিক্ষক-শিক্ষিকা আৰু কৰ্মচাৰীসকলোলৈ যি সেৱা আগবঢ়ায়:

(খ) সেই প্ৰতিষ্ঠানে আগবঢ়োৱা সেৱা:

(i) পঢ়ুৱৈ, শিক্ষক-শিক্ষিকা আৰু কৰ্মচাৰীসকলক অনা-নিয়া কৰা
(ii) কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ বা কেন্দ্ৰশাসিত অঞ্চলৰ পৃষ্ঠপোষকতাত চলা মিড ডে মীল প্ৰকল্প সহ খাদ্য পৰিৱেশন।
(iii) এনেকুৱা শৈক্ষিক প্ৰতিষ্ঠানত সুৰক্ষামূলক বা পৰিষ্কাৰ পৰিচ্ছন্নতামূলক যি সেৱা আগবঢ়োৱা হয়
(iv) উচ্চতৰ মাধ্যমিকলৈকে ভৰ্তি সংক্ৰান্ত বা পৰীক্ষাৰ আয়োজন সংক্ৰান্ত কোনো সেৱা আগবঢ়োৱা হয় যি প্ৰতিষ্ঠানত।

অধিসূচনাত উল্লিখিত সেৱাৰ সংজ্ঞা হ'ল:

শৈক্ষিক প্ৰতিষ্ঠান মানে হ'ল সেই প্ৰতিষ্ঠান যি সেৱা আগবঢ়ায়

(i) প্ৰাক-বিদ্যালয় শিক্ষাৰ ক্ষেত্ৰত আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় বা তাৰ সমতুল্যলৈকে।

(ii) কিছু সময়ৰ বাবে বলবত্ কোনো আইনৰ দ্বাৰা স্বীকৃত যোগ্যতা অৰ্জনৰ বাবে পাঠ্যক্ৰমৰ অংগ হিচাপে শিক্ষা প্ৰদান।

(iii) অনুমোদিত বৃত্তিমূলক শিক্ষা পাঠ্যক্ৰম হিচাপে শিক্ষা প্ৰদান।

## স্বাস্থ্যসেৱা

অনুৰূপভাৱে

(ক) কোনো চিকিত্সা প্ৰতিষ্ঠান, কোনো স্বীকৃতিপ্ৰাপ্ত মেডিকেল প্ৰেকটিশ্বনাৰ বা পেৰা মেডিকৰ দ্বাৰা প্ৰদত্ত স্বাস্থ্যসেৱা, (খ) উপৰৰ (ক) অংশত উল্লিখত ব্যক্তি বা প্ৰতিষ্ঠানৰ বাহিৰে আন কোনোবাই ৰোগীক এম্বুলেন্সেৰে অনা-নিয়া কৰি সেৱা প্ৰদান কৰিলে

ভাৰতত চিকিত্সাৰ ক্ষেত্ৰত অনুমোদিত যি কোনো পদ্ধতিত কোনো অসুস্থতা, আঘাত, শাৰীৰিক বিকৃতি, অস্বাভাৱিকতা, গৰ্ভাৱস্থাৰ নিৰূপণ, চিকিত্সা আৰু যতন সম্বন্ধীয় যি কোনো সেৱাক 'স্বাস্থ্যসেৱা'-ৰ সংজ্ঞা প্ৰদান কৰা হৈছে। চিকিত্সা প্ৰতিষ্ঠানত অনা-নিয়া কৰিবলৈ এম্বুলেন্স সেৱা প্ৰদান কৰাটোকো এই সংজ্ঞাৰ অধীনত ৰখা হৈছে। অৱশ্যে, চুলি প্ৰতিস্থাপন, কচমেটিক বা প্লাষ্টিক চাৰ্জাৰীক ইয়াৰ অন্তৰ্ভুক্ত কৰা হোৱা নাই, কিন্তু যদি শৰীৰৰ পুনৰুত্থান বা পুনৰ্নিৰ্মাণ বা জন্মগত ত্ৰুটি, অস্বাভাৱিক শাৰীৰিক বিকাশ, আঘাত বা ট্ৰমাৰ চিকিত্সাৰ কাৰণে এইবোৰ কৰা হ'লে বেলেগ কথা।

উল্লেখ্য, দান বৰঙণি পালে সেয়া জিএচটি-ৰ আওতাভুক্ত নহয়। লগতে কোনোবাৰ ব্যক্তিগত আয়ও জিএচটি-ৰ আওতাত নপৰিব, আপোনাৰ ব্যয় জিএচটি-ৰ আওতাভুক্ত হোৱাৰ বহুতো সম্ভাৱনা আছে।

জিএচটি পৰিষদে 6 অক্ট'বৰ, 2017 তাৰিখে এটা বৈঠকৰ আয়োজন কৰিছিল, তাতে ভিঅ'সকলে আগতে উত্থাপন কৰা কেইটামান প্ৰশ্নৰ উত্তৰ দিয়া হৈছিল। যেনে:



চিজিএচটি এক্ট 2017-ৰ ধাৰা 9-ৰ উপধাৰা (4) আৰু আইজিএচটি এক্ট 2017-ৰ ধাৰা 5-ৰ উপধাৰা (4)-ৰ অধীনস্থ ৰিভাৰ্চ চেঞ্জ মেকানিজম (যাৰ অধীনত ভিঅ'সকলে এডভ'কেট চাৰ্ভিচ গ্ৰহণ কৰিব পাৰে) বৰখাস্ত হৈ থাকিব 31.03.2018লৈকে আৰু এইটো পৰ্যালোচনা কৰিব বিশেষজ্ঞসকলৰ কমিটিয়ে। এইটো ক্ষুদ্ৰ ব্যৱসায়ীসকলৰ কাৰণে লাভদায়ক হ'ব আৰু ই বহু পৰিমাণে কমপ্লায়েন্স ব্যয় কমাই দিব।

বাণী (ভিএএনআই)-য়ে ভিঅ'সকলৰ মুখ্য বিত্তীয় বিষয়াসকলক লৈ এখন ঘূৰণীয়া মেজ মেলৰ আয়োজন কৰিছিল 13 অক্ট'বৰ 2017 তাৰিখে। সেই বৈঠকত কেইটামান গুৰুত্বপূৰ্ণ দিশক লৈ আলোচনা হৈছিল, সেইবোৰ তলত উল্লেখ কৰা হ'ল:

- সংযুক্ত কোনো পৰিস্থিতিত দান বৰঙণিক ৰেহাই দিয়া হ'ব, অৱশ্যে তাত যদি কোনো নিয়ম থাকে তেতিয়া হ'লে সেয়া জিএচটি-ৰ অধীনত কৰভুক্ত হ'ব।

- 'সৰ্বসাধাৰণ ৰাইজৰ' হিতৰ উদ্দেশ্যে দান বৰঙণি আগবঢ়োৱা হ'লে সেয়া ৰেহাই পাব। কিন্তু যদি সেই দান বৰঙণি দাতাৰ কোনো কৰ্মকাণ্ডৰ অংশ তেতিয়া হ'লে সেয়া কৰভুক্ত হ'ব।

- চুক্তিপত্ৰৰ খচৰা প্ৰস্তুত কৰাৰ সময়ত বিশেষকৈ কৰ্প'ৰেট গোষ্ঠীৰ লগত এয়া প্ৰস্তুত কৰাৰ সময়ত যিবোৰ পৰিভাষা ব্যৱহাৰ কৰা হ'ব, সেই বিষয়ে ভিঅ'সকলে অত্যন্ত সতৰ্ক থাকিব লাগিব। এনজিঅ'সকলৰ দ্বাৰা চলোৱা কৰ্মকাণ্ডক কৰ্প'ৰেট গোষ্ঠীবোৰে চিএচআৰ-ৰ অধীনস্থ বুলি ভাবি হয়তো টিডিএচ কাটি ল'ব পাৰে। লগতে কোনো দান বৰঙণিত টাৰ্ম অ'ভাৰহেড ফী-ৰ কথা উল্লেখ থাকিলে তাৰ ভুল ব্যাখ্যা হ'ব পাৰে, যাৰ বিৰূপ প্ৰভাৱ পৰিব পাৰে এনজিঅ'ৰ উপৰত।

# অধ্যায় 3 : সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহ :

এই অধ্যায়ত সেচ্ছাসেৱীখণ্ডৰ সংশ্লিষ্ট কামকাজ সম্পৰ্কীয় আৰু মুখামুখি হোৱা বিভিন্ন প্ৰত্যাহ্বানসমূহৰ বিষয়ে আলোচনা কৰা হৈছে। ঘাই ঘাই প্ৰত্যাহ্বানবোৰ আহিছে সংজ্ঞা নিৰূপণত অস্পষ্টতা আৰু স্বেচ্ছাসেৱী খণ্ডৰ সংস্থাসমূহৰ পঞ্জীকৰণৰ ক্ষেত্ৰত। বিভিন্ন আইনৰ কেতবোৰ ব্যৱস্থা অস্পষ্ট, স্ববিৰোধী বা নীৰব। দ্বিতীয়তে আইনসমূহৰ অন্তৰ্বস্তুৰ পৰিবৰ্তে আখৰে আখৰে ৰূপায়ণে বিশেষভাবে দূৰৱৰ্তী আৰু আওহতীয়া এলেকাবোৰত এই ক্ষেত্ৰবোৰৰ কামকাজ ব্যহত কৰে। ই-গৱৰ্ণেন্সৰ জৰিয়তে স্বচ্ছতা আনিবলৈ চৰকাৰে চলোৱা প্ৰচেষ্টায়ো তৃণমূল পৰ্যায়ত কৰ্মৰত সম্প্ৰদায়ভিত্তিক সংগঠন বিলাকৰ কামকাজৰ এলেকা আৰু পৰিসৰত সীমিত প্ৰভাবহে পেলায়। ন্যূনতম নহলেও সৰ্বশেষ পৰিৱৰ্তনশীল পৰিবেশে পেছাদাৰিত্ব, ধনৰ নাটনি আৰু স্বনিয়ন্ত্ৰণৰ প্ৰয়োজনীয়তা আদিৰ দৰে বিষয়বোৰৰ ক্ষেত্ৰত প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে।

## স্বেচ্ছাসেৱী সেৱা সংগঠনসমূহৰ বাবে প্ৰত্যাহ্বান :

পঞ্জীকৰণ আইন সহ ইছ্যুবোৰ : স্বেচ্ছাসেৱী খণ্ড এতিয়াও পঞ্জীকৰণ আইনসমূহৰ দ্বাৰা পৰিচালিত হৈ আছে। ইয়াৰে কেতবোৰ আইন 157 বছৰ পুৰণি। ৰাজনৈতিক, অৰ্থনৈতিক আৰু বিত্তীয় দৃশ্যপটৰ বিপুল পৰিবৰ্তন ঘটিছে। একেদৰে স্বেচ্ছাসেৱী সংগঠনবিলাকৰ আকাৰ, গঠনশৈলী, শাসনৰ গাঁথনি, কাৰ্যসম্পাদন গাঁথনিসমূহৰো পৰিৱৰ্তন ঘটিছে। ডেৰ শতিকা পূৰ্বে প্ৰণয়ন কৰা আইনত কাৰ্যবিধিৰ জৰিয়তে দায়ৱদ্ধতা, স্বচ্ছতা আদিবোৰ নিশ্চিত কৰাৰ কোনো ব্যৱস্থা নাই। আটাইতকৈ গুৰুত্বপূৰ্ণ কথা হৈছে, ‘জনসেবা’ৰ সংগঠনসমূহ আৰু ‘জনহিত’-ৰ সংগঠন বিলাকৰ মাজত পাৰ্থক্য নিৰূপণত আইনবোৰ ব্যৰ্থ হৈছে। তদুপৰি ৰাজ্য চৰকাৰৰ অধীনত পঞ্জীভুক্ত সংগঠন বিলাকৰ কামকাজৰ স্বাধীনতা পঞ্জীকৰণৰ ৰাজ্যৰ বাহিৰত সীমিত। মহাৰাষ্ট্ৰ আৰু গুজৰাটত দাতব্য আয়ুক্ত কাৰ্যালয়ৰ দ্বাৰা কৰা ৰাজ্যিক পৰ্যায়ৰ পঞ্জীকৰণত নথিপত্ৰৰ প্ৰস্তুতৰ কামকাজ লেহেম আৰু সময়সাপেক্ষ প্ৰক্ৰিয়া।

এফচিআৰএ-ৰ লগত ইছ্যুবোৰ : 2016 বৰ্ষ আছিল প্ৰমাণপত্ৰবোৰ নবীকৰণৰ প্ৰথম বছৰ। ৰূপায়ণৰ প্ৰক্ৰিয়া আছিল সম্পূৰ্ণভাৱে ডিজিটেল। অৱশ্যে ভিতৰুৱা এলেকা বিলাকত আছিল বিচ্যুতি (ইণ্টাৰনেট নথকা বা বিৰতিৰ মূৰে মূৰে ইণ্টাৰনেট), নথিবোৰ আপলোড কৰাত অক্ষমতা, যিবোৰে এই খণ্ডৰ অসুবিধা বঢ়াই দিছে। ইতিমধ্যেই এই খণ্ডই স্ববিৰোধী ব্যাখ্যাৰ সময়ত বিবিধ আইনবোৰ বুজিবলৈ টান পাই অসুবিধাতেও ভুগি আছে।

2017 চনৰ 10 মাৰ্চত VANI-এ VO-Go বৈঠকৰ আয়োজন কৰে। বৈঠকৰ সময়ত VANI-ৰ সদস্যসকলে নিম্নোক্ত কেতবোৰ কামকাজ সম্পৰ্কীয় অসুবিধা ভোগ কৰে।

সময়ৰ নাটনি : VO-য়ে অনুভৱ কৰে যে অনলাইন আবেদনৰ বাবে তেঁওলোকক কম সময় দিয়া হৈছে।

বিভ্ৰান্তিকৰ নিৰ্দেশ : বিমোৰত পেলোৱা নিৰ্দেশাবলী, তথ্যৰ অভাৱে VO-ৰ মাজত উদ্বেগৰ সৃষ্টি কৰিছে। ফলত বহুসংখ্যক VO-য়ে নবীকৰণৰ বাবে দুবাৰকৈ আবেদন কৰে। তেঁওলোকে প্ৰথম অৱস্থাতত মূল কপিবোৰ প্ৰেৰণ কৰে, যিবোৰ FCRA বিভাগে বিচৰা নাই আৰু আনকি খুলিও চোৱা নাই। তদুপৰি এটাৰ পিছত এটাকৈ কেবাটাও নিৰ্দেশ VO-বিলাকক দিয়াত পুনৰ বিভ্ৰান্তি বঢ়াই তোলে।

তথ্যৰ অভাৱ : চৰকাৰৰ ডেটাবেছ-ৰ আপগ্ৰেডেচন নোহোৱাৰ ফলত তথ্যবোৰৰ পৰা বঞ্চিত হৈ এই খণ্ডই উদ্বেগ প্ৰকাশ কৰিছে। এনে অৱস্থাই তথ্যৰ পৰা সম্পূৰ্ণ বঞ্চিত কৰিছে অথবা VO বিলাকে গুৰুত্বপূৰ্ণ নিৰ্দেশ/অধিসূচনা/চাৰ্কুলাৰ আদি পলমকৈ লাভ কৰিছে। যাৰ ফলত নিৰ্দেশবোৰ অনুসৰণ কৰাত পলম হৈছে।

সামৰ্থ নিৰ্মাণ উদ্যোগৰ অভাৱ : ভিতৰুৱা এলেকাবিলাকত অধিকাংশ ক্ষেত্ৰত তৃণমূল পৰ্যায়ৰ সংগঠন বিলাকৰ অনলাইন নবীকৰণ প্ৰক্ৰিয়া অনুসৰণ কৰাৰ দক্ষতা নাই। ব্যাপক পৰিসৰত VO বিলাক সামৰ্থ গঢ়ি তোলাৰ বাবে সংশ্লিষ্ট বিভাগৰ পৰাও কোনো প্ৰচেষ্টা নাই।

ইন্টাৰনেট সংযোগ : যিকোনো অনলাইন উদ্যোগৰ বাবে আটাইতকৈ মৌলিক আৰু গুৰুত্বপূৰ্ণ পূৰ্বচৰ্ত হৈছে ইন্টাৰনেট সংযোগ। কিন্তু দেশৰ বহু অঞ্চলত তৃণমূল পৰ্যায়ত ইন্টাৰনেট সংযোগ হৈছে এক প্ৰধান সমস্যা। কিছু কিছু এলেকাত কেৱল 2G নেটৱৰ্কহে আছে। ধীৰ সংযোগৰ কাৰণে সময়মতে নথিবোৰ আপলোড কৰা হোৱা নাই বা এফচিআৰএ-ৰ নিজৰ ৱেবছাইটতো সোমাব পৰা নাই।

মাচুলৰ অনলাইন আদায় : প্ৰায় সকলো VO-য়ে দুবাৰকৈ মাচুল আদায় দিছে, মূল কপিৰ লগত আদায় দিয়া মাচুল ঘূৰাই দিয়া হোৱা নাই বা অনলাইনত পৰিশোধ কৰা নাই। বহু সংগঠনৰ বেঙ্ক ট্ৰেন্সফাৰৰ সুবিধাও নাই। সংগঠনৰ নিধিৰ সুৰক্ষাৰ বাবে তেঁওলোকে ইচ্ছাকৃতভাৱেই এই সুবিধা পৰিহাৰ কৰিছে।

VO-ৰ ৱেবছাইটত ত্ৰৈমাসিক ৰিটাৰ্ণৰ বাবে অনলাইন আপলোড : বহু VO-ৰ ৱেবছাইট নাই। শোচনীয় ইণ্টাৰনেট সংযোগৰ কাৰণে বিকল্প হিচাপে এফচিআৰএ-ৰ ৱেবছাইটত আপলোড কৰাও এক সমস্যা।

অভিযোগ নিষ্পত্তিকৰণৰ দুৰ্বল ব্যৱস্থা : অভিযোগ নিষ্পত্তিকৰণৰ নামত একমাত্ৰ ব্যৱস্থা আছিল 2016 চনৰ 4 জুলাইত বিভাগে ইছ্যু কৰা চাৰ্কুলাৰ। যাৰ জৰিয়তে VO বিলাকৰ সৈতে তেওঁলোকৰ অভিযোগবোৰ নিষ্পত্তিৰ বাবে সঞ্চালকৰ (এফচিআৰএ) মাহিলি বৈঠকৰ ব্যৱস্থা কৰা হৈছিল। কিন্তু বিভাগত এক সাক্ষাতৰ ব্যৱস্থা হৈছে বিৰল ঘটনা। হেল্পলাইনো আছে কিন্তু সেয়াও সহায়ক নহয়। কাৰ্যত এতিয়ালৈকেও এফচিআৰএ বিভাগত অভিযোগ নিষ্পত্তিকৰণৰ কোনো কাৰ্যব্যৱস্থাই নাই। এফচিআৰএ বিভাগৰ পৰা কোনো ধৰণৰ কাৰ্যকৰী সহায়ক অভাৱত তৃণমূল সংগঠনবিলাক প্ৰায়েই নবীকৰণ প্ৰক্ৰিয়াৰ ক্ষেত্ৰত যোগসূত্ৰহীন হৈ পৰে। একমাত্ৰ ডাঙৰ ডাঙৰ মহানগৰৰ সেইবোৰ সংগঠন, বিশেষকৈ দিল্লীত VANI আৰু FMSF-ৰ দৰে সামৰ্থ নিৰ্মাণৰ ক্ষেত্ৰত সন্মুখীন হোৱা নাই।

আয়কৰ আইনত খচৰা সংশোধনী সম্পৰ্কীয় ইছ্যুবোৰ : এই সংশোধনীৰ বিষয়ে আৰু 2017 চনৰ অক্টোবৰত সংশোধনীৰ সম্পৰ্কে VANI-ৰ সদস্যসকলৰ ধাৰণাবোৰ তলত উল্লেখ কৰা হ’ল।

30 দিনৰ ভিতৰত সংগঠনবিলাকৰ উদ্দেশ্যসমূহৰ নবীকৰণ সম্পৰ্কে পঞ্জীকৰণ লাভ : VANI সদস্যসকলে ভাবে যে আবেদন দাখিলৰ বাবে আৱশ্যকীয় নথিপত্ৰ প্ৰস্তুত আৰু তথ্য সংগ্ৰহৰ পৰিপ্ৰেক্ষিতত নতুনকৈ পঞ্জীকৰণৰ বাবে 30 দিনৰ সময় কম প্ৰমাণিত হ’ব।

লেখক/প্ৰতিষ্ঠাতাৰ বিশদ তথ্য : আধাৰ নম্বৰ প্ৰদৰ্শন : লেখক/প্ৰতিষ্ঠাতা সকলৰ বাবে আধাৰ-ৰ বিতং প্ৰদৰ্শন কৰাটো বাধ্যতামূলক। যিহেতু আইন মতে আধাৰ সংগ্ৰহ কৰাটো বাধ্যতামূলক নহয়, গতিকে সদস্যসকলে ইয়াক বাধ্যতামূলক পূৰ্বচৰ্ত কৰাৰ যৌক্তিকতাক লৈ প্ৰশ্ন তুলিছে।

জিএছটি আইন, 2017 সম্পৰ্কীয় ইছ্যুবোৰ : 2017 চনৰ 1 জুলাইৰ পৰা বলবৎ হোৱাৰ পিছৰে পৰা ইয়াৰ ব্যাখ্যাৰ অস্পষ্টতাক লৈ বহু বিভ্ৰান্তি বিৰাজ কৰি আছে, যাৰ কাৰণে জিএছটি পৰিষদৰ পৰা স্পষ্টীকৰণ বিচৰা হৈছে। আনকি চৰকাৰেও নিবিড়ভাৱে ইয়াৰ ৰূপায়ণ পৰ্যবেক্ষণ কৰি আছে এই বিষয়ত অধিসূচনা আৰু স্পষ্টীকৰণ জাৰি কৰি আছে। সৰ্বশেষ ঘোষণা জাৰি কৰা হৈছে 2017-ৰ 6 অক্টোবৰত, য'ত জিএছটি পৰিষদে 27 বিধ পণ্যৰ কৰ হাৰ হ্ৰাস কৰিছে আৰু 2018-ৰ 31 মাৰ্চ পৰ্যন্ত ৰিভাৰ্ছ টেক্স বিলুপ্ত কৰিছে।

জিএছটি ৰেহাইৰ তালিকাৰ অধীনত 12 এ-ত সংগঠন বিলাকক অন্তৰ্ভুক্ত কৰাৰ বিষয়টো লৈও অস্পষ্টতা আছে।

অনুদান, বৰঙণি আৰু ৰাজহৰ সংজ্ঞা আৰ পাৰ্থক্যৰো কোনো স্পষ্টীকৰণ নাই। অথচ বহু অলাভজনক সংগঠন দাতব্য কামকাজ আৰু উপাৰ্জন বৃদ্ধিৰ কাৰ্যত জড়িত।

জিএছটি আৰু আয়কৰ সংজ্ঞাৰ সমতাৰ দৰকাৰ। যিহেতু সিএসআৰ-ৰ অংশ হিচাপে কিছু সংখ্যক কৰ্পৰেটে এনজিও বিলাকক ধন আদায় দিয়ে, সেয়ে তেওঁলোকে এনজিও বিলাকক সেৱা প্ৰদানকাৰী হিচাপে গণ্য কৰে আৰু জিএছটি পঞ্জীকৰণ পৰিচয়পত্ৰ বিচাৰে।

সেৱাসমূহৰ আংশিকভাৱে সামৰি লোৱা কাৰ্যই কোনো সেৱা জিএছটি-ৰ তালিকাভুক্ত হ'ব নে নহয় তাকলৈ সন্দেহৰ সৃষ্টি হৈছে। উদাহৰণ হিচাপে ক'ব পাৰি - হাস্পতালৰ কথা। স্বাস্থ্যক জিএছটি-ৰ পৰা বাদ দিয়া হৈছে, কিন্তু হাস্পতালৰ ভিতৰত চলাই থকা আৰু হাস্পতালৰ ভিতৰত ৰোগীক ঔষধ যোগান ধৰা ফাৰ্মাচীক জিএছটি-ৰ বাহিৰত ৰখা হৈছে যদিও বাহিৰৰ ৰোগীক ঔষধ বিক্ৰীক জিএছটি-ৰ অন্তৰ্ভুক্ত কৰা হৈছে। একেদৰে স্বাভাৱিক দন্ত চিকিৎসা সেৱাকো স্বাস্থ্য খণ্ডৰ পৰিপ্ৰেক্ষিতত দাতব্য বুলি গণ্য কৰিব পাৰি যদিও, কিন্তু ইয়াক আলংকাৰিক সংযোজনৰ ক্ষেত্ৰত জিএছটি-ৰ অন্তৰ্ভুক্ত কৰা হৈছে।

নিয়ন্ত্ৰণ বিধি অন্তৰ্ধান : স্বেচ্ছাসেৱী খণ্ডক দায়বদ্ধ কৰা এখন ৰাষ্ট্ৰীয় বিধি নাই। বৰ্তমান চৰকাৰী কিছু বিধি আছে যাৰ জৰিয়তে এই খণ্ডৰ অন্তৰ্ধান হোৱা কামৰ গুণগত দিশৰ আইনী আৰু বিত্তীয় দিশবোৰ অনুসৰণ হোৱাৰ বিষয় চোৱাচিতা কৰা হয়। বিদেশী বৰঙণি (নিয়ন্ত্ৰণ) আইন আৰু আয়কৰ আইনসমূহ সমন্বিত উপায়েৰে ৰূপায়িত হোৱা নাই। বিভিন্ন মন্ত্ৰালয়ে বিভিন্ন সূক্ষ্ম পাৰ্থক্যৰ উপলব্ধি আৰু কাৰ্যপ্ৰণালী বিভিন্ন আইন চোৱাচিতা কৰে। আইন ৰূপায়ণ পৰীক্ষা কৰিবলৈ কোনো একক ব্যৱস্থা নাই। এসময়ত চৰকাৰৰ বিষয়ববীয়া সকল নিজে আইনসমূহৰ ব্যৱস্থাবলীৰ বিষয়ে অবহিত বা স্পষ্ট নাছিল। সুশাসন প্ৰদানৰ নেতৃত্ব চৰকাৰে গ্ৰহণ নকৰি বৰং এই দায়িত্ব এই খণ্ডলৈ ঠেলি দিছিল। গতিকে এই খণ্ডৰ দ্বাৰা স্বনিয়ন্ত্ৰণ আৰু সামাজিক দায়বদ্ধতাৰ মান আৰু কৰ্তৃত্বকাৰী সংগঠন হিচাপে চেষ্টা চলোৱা হৈছিল।

ৰাজনৈতিক সদিচ্ছা আৰু আবশ্যকীয় ৰাজহুৱা/খণ্ড হেচাৰ অভাৱ : 2007 চনত স্বেচ্ছাসেৱী খণ্ড বিষয়ক ৰাষ্ট্ৰীয় নীতি গৃহীত হোৱাৰ এটা দশক পাৰ হোৱাৰ পিছতো আমি এতিয়াও সমৰ্থ পৰিৱেশ অৰ্জন কৰিব পৰা নাই। বৰং ৰাষ্ট্ৰীয় নীতি গৃহীত হোৱাৰ পিছত ভাৰত চৰকাৰে এটাৰ পিছত এটাকৈ সংশোধনী সহ বিদেশী বৰঙণী (নিয়ন্ত্ৰণ) আইন, সালসলনি কৰিছে যিটো অস্পষ্ট, বিভ্ৰান্তিকৰ আৰু জটিল (অধিক প্ৰত্যাহ্বান তলত উল্লেখ কৰা হ'ল)। ইয়াৰ পিছতে ভাৰত চৰকাৰে 20,000 টাৰো অধিক NGO-ৰ অনুজ্ঞাপত্ৰ 2016 চনৰ ডিচেম্বৰত এই আইন অনুসৰি 'বিধি উলঙ্ঘা'ৰ অভিযোগত বাতিল কৰিছে।

আনুমানিক চাহিদাৰ বিসংগতিৰ কাৰণে ধনৰ নাটনি : ধনৰ বিদেশী উৎস কমি যোৱাত এনজিও বিলাকে চৰকাৰ আৰু কৰ্পৰেটৰ দৰে অভ্যন্তৰীণ উৎসৰ পৰা ধন সংগ্ৰহৰ বাবে তৎপৰ হৈছে। কিন্তু চৰকাৰ আৰু কৰ্পৰেট উভয় খণ্ডৰে নিজা নিজা এজেন্ডা আৰু সামাজিক উন্নয়নৰ বাবে অঞ্চলগত অগ্ৰাধিকাৰৰ ধাৰণা আছে। এনে ধাৰণাৰ সৈতে স্থানীয় স্বেচ্ছাসেৱী খণ্ডৰ সংঘটন বিলাকৰ চাহিদাৰ ধাৰণাৰ কোনো মিল নাই।

স্বেচ্ছাসেৱী খণ্ডৰ পেছাদাৰিত্ব : ক্ৰমবৰ্ধমান সংখ্যাত পেছাদাৰসকলে এই খণ্ডত যোগ দি আছে যিটো অৰ্হতা আৰু সেৱাৰ মান উন্নত কৰাৰ বাবে আৱশ্যক। কিন্তু যিহেতু স্বেচ্ছাসেৱী খণ্ডৰ সংগঠনবোৰ পৰ্যাপ্ত আৰ্থিক ক্ষতিপূৰণ দিয়াত অক্ষম, গতিকে মেধাক ধৰি ৰখাটো কঠিন। প্ৰশাসনীয় ব্যয় সীমিত কৰিবলৈ বৰঙণিদাতা আৰু চৰকাৰৰ তৰফৰ পৰা অহা বৰ্ধিত হেঁচাৰ ফলত লোক সংগ্ৰহ আৰু উচ্চমানৰ মানৱসম্পদ ধৰি

ৰখাটো এই খণ্ডৰ বাবে প্ৰধান বাধা হৈ পৰিছে। সম্পত্তিৰ ঘোষণা আৱশ্যিক কৰা লোকপাল আৰু লোকায়ুক্তৰ দৰে বিধি সহ অসামৰিক ক্ষেত্ৰৰ সংকোচনৰ বৰ্তমান ছবিখনৰ পৰিপ্ৰেক্ষিতত অধিক পেছাদাৰীত্ব, দায়বদ্ধতা আৰু স্বচ্ছতা লৈ অহাৰ বাবে মেধাবী পেছাদাৰ লোকক এই খণ্ডলৈ আকৰ্ষিত কৰাটো এক গুৰুতৰ প্ৰত্যাহ্বান হৈ পৰিছে।

## স্বেচ্ছাসেৱী খণ্ডৰ অভ্যন্তৰীণ প্ৰত্যাহ্বানসমূহ :

আইন অনুসৰণ নকৰা - VO বিলাকে ঘাইকৈ ভুলকৈ অথবা সম্পূৰ্ণ অজ্ঞতাৰ কাৰণে আৰু/অথবা বিৰল ক্ষেত্ৰত সুবিধাৰ বাবে ইচ্ছাকৃতভাৱে আইন উলঙ্ঘা কৰে। উদাহৰণ যেনে এফচিআৰএ-ৰ পৰা ধন এফচিআৰএ-ৰ বাহিৰৰ একাউন্টলৈ স্থানান্তৰ, অথবা পলম কৰা, টেক্স ৰিটাৰ্ণ ভুলভাৱে দাখিল কৰা বা দাখিল নকৰা, অথবা ইউটিলাইজেচন বেঙ্ক একাউন্ট মুকলি নকৰা। এনে ধৰণৰ ঘটনা যেতিয়া পোহৰলৈ আহে তেতিয়া তেওঁলোকৰ গ্ৰহণযোগ্যতা ক্ষতিগ্ৰস্ত হয়।

বিসংগতিপূৰ্ণ হিচাপ ব্যৱস্থা : বহু সময়ত VO বিলাকে প্ৰশাসনিক ব্যয়ৰ স্পষ্ট পৃথকীকৰণ সম্পৰ্কে ভুল কৰে, যিটো মুঠ প্ৰাপ্তিৰ পঞ্চাশ শতাংশৰ অধিক হ'ব নালাগে। এনে কাৰ্যই বিভ্ৰান্তিৰ সৃষ্টি কৰে আৰু বিত্তীয় ব্যৱস্থাপনাক খেলিমেলি কৰে।

পৰ্যবেক্ষণ আৰু মূল্যায়নৰ অভাৱ : অধিকাংশ ডাঙৰ এনজিও-ৰ কৰ্মসূচী পৰ্যবেক্ষণ আৰু মূল্যায়নৰ বাবে যথোপযুক্ত MIS গঠন কৰিবলৈ যথোপযুক্ত বিত্তীয় আৰু মানব সম্পদ আছে। কিন্তু অধিকাংশ সৰু এনজিও-য়ে পৰ্যাপ্ত সম্পদ নথকা আৰু/অথবা যথোপযুক্ত জ্ঞানৰ অভাৱৰ কাৰণে এই স্থিতিমাপ অৰ্জন কৰিব পৰা নাই।

অপৰ্যাপ্ত/নথিকৰণ আৰু ৰিপ'ৰ্টিং নোহোৱা : এই অৱস্থাই সৰু আৰ মজলীয়া স্বেচ্ছাসেৱী সংগঠন বিলাকত অধিকভাৱে বিৰাজ কৰিছে। আনহাতে তেওঁলোকৰ সৰহভাগেই তৃণমূল পৰ্যায়ত মানুহৰ অবস্থা উন্নত কৰাৰ বাবে উল্লেখযোগ্য কামৰ দায়িত্ব গ্ৰহণ কৰে যদিও যথোপযুক্ত নথিকৰণ আৰু ৰিপ'ৰ্টিং ব্যৱস্থা নথকাৰ কাৰণে তেওঁলোকে নিজকে দাঙি ধৰিবলৈ সুযোগ হেৰুৱায় আৰু অন্যান্য এলেকাত তেওঁলোকৰ প্ৰভাৱ নপৰেগৈ।

অনুপযুক্ত শাসন : ডাঙৰ VO বিলাক সুশাসনৰ চৰ্তাবলীৰ সম্পৰ্কে জ্ঞাত আৰু সেইবিলাক মানি চলে যদিও সৰু বিলাক শাসনৰ এই অৱস্থা আৰু ইয়াৰ গাঁথনি, প্ৰক্ৰিয়া আৰু নথিৰ ক্ষেত্ৰত পিচ পৰি আছে। অধিকাংশ সময়ত তেওঁলোক সময়মতে বোৰ্ডৰ সভা অনুষ্ঠিত কৰা আৰু/সভাৰ বিৱৰণ লিপিবদ্ধ কৰাত ব্যৰ্থ হয়।

# অধ্যায় ৪ : অগ্ৰবৰ্তী পথ :

স্বেচ্ছাসেৱী খণ্ডই দৃঢ়তাৰে ৰোগ, নিৰক্ষৰতা, সামাজিক অন্যায়, অপুষ্টি, দাৰিদ্র্য, সম্পদ আহৰণৰ সুযোগ নোপোৱা আৰু দেশৰ এই ধৰণৰ নিয়ন্ত্ৰণহীন সামাজিক আৰু সমস্যাৰ বিৰুদ্ধে যুঁজিছে। তেওঁলোকে নিজৰ অস্তিত্ব আৰু কল্যাণৰ প্ৰতি অহা প্ৰত্যাহ্বানবোৰক ওলাই কৰিব নোৱাৰে। সেয়ে এই খণ্ডই এইবোৰ ইছ্যু সম্পৰ্কে বিবেচনা কৰা আৰু স্থায়ী সমাধান উলিওৱাটো অপৰিহাৰ্য। স্থায়ী সমাধানৰ কিছু তলত উল্লেখ কৰা হ'ল :

খণ্ড শাসনৰ বাবে ঐক্যবদ্ধ বিশদ আইন : এই খণ্ড বৰ্তমান পুৰণি আৰু অনুপযুক্ত, বিভ্ৰান্তিকৰ আৰু একসময়তে স্ববিৰোধী বহুবিধ বিধিৰ ফলত কিংকৰ্তব্যবিমূঢ় অৱস্থাত ৰৈ আছে। সমসাময়িক সকলো উদ্বেগ দূৰ কৰা, ভৱিষ্যৎ উন্নয়নৰ লক্ষ্য নিৰূপণ কৰা আৰু অংশগ্ৰহণৰ বাবে সক্ষম হোৱা আৰু স্থিতিশীল বিকাশৰ বাবে বৰ্তমান এই খণ্ডৰ কাৰণে দৰকাৰ এখন স্পষ্ট আৰু সংহত আইন।

সমূহীয়া যুক্তি প্ৰদৰ্শন : এক সংকটৰ সময়ত এটা খণ্ডই ঐক্যবদ্ধ হোৱা পৰিলক্ষিত হৈছে। কিন্তু সংকট পাৰ হৈ যোৱাৰ পিছতেই ঐক্য ভাঙি গৈছে। চৰকাৰৰ দ্বাৰা এফচিআৰএ-ৰ অধীনত ব্যাপক হাৰত অনুজ্ঞাপত্ৰ বাতিল, পুৰণি পঞ্জীকৰণ আইন আদিৰ বৰ্তমান অৱস্থাত এই খণ্ডই ঐক্যবদ্ধ হোৱা আৰু ইয়াৰ স্থিতিশীলতাৰ বাবে সমূহীয়াভাবে যুক্তি প্ৰদৰ্শন আৰু দায়িত্বশীল সামাজিক উন্নয়নৰ দিশে কাম কৰিবলৈ এনজিও বিলকাকক উৎসাহিত কৰা পৰিবেশ অৰ্জনৰ লক্ষ্যেৰে এই খণ্ড ঐক্যবদ্ধ হোৱাটো এক জৰুৰী প্ৰয়োজন।

বিবিধ অংশীদাৰীৰ যোগদান : এইটো অনুভৱ কৰিব পৰা গৈছে যে যদি সকলে যোগদান কৰিব পৰা যায় তেনেহলে আইন ৰূপায়ণৰ ক্ষেত্ৰত এলানি বিপদ প্ৰতিৰোধ কৰিব পাৰি। সেয়ে চৰকাৰ-স্বেচ্ছাসেৱী সংগঠনৰ পাৰস্পিৰক সম্পৰ্কই হওক অথবা স্বেচ্ছাসেৱী সংগঠন-কৰ্পৰেটৰ পাৰস্পৰিক সম্পৰ্কই হওক, অৰ্থাৎ স্বেচ্ছাসেৱী সংগঠনসমূহ-চৰকাৰ-কৰ্পৰেট এই তিনিটাৰ অংশগ্ৰহণ সহ মঞ্চই হওক, বহুবিধ অংশীদাৰীৰ মঞ্চ গঢ়ি তোলাটো দৰকাৰ। তদুপৰি নিৰন্তৰ সম্প্ৰদায় আৰু মিডিয়াৰ সৈতে সংযোগ থাকিব লাগিব। আটাইবোৰ পক্ষৰ পৰিবেশৰ বাবে চৰম অপৰিহাৰ্য। এই পৰিৱেশই পিছত স্থিতিশীল বিকাশলৈ লৈ যায়।

পূৰ্ব নিৰ্ধাৰিত সুশাসন স্থিতিমাপ : স্বেচ্ছাসেৱী খণ্ডৰ বাবে সুশাসনৰ চৰকাৰৰ দ্বাৰা নিৰ্ধাৰিত মান থাকিব লাগিব। মানসমূহৰ প্ৰতি আনুগত্য সংগঠন-বিলাকৰ নিজাকৈ সততাৰ প্ৰমাণ হব আৰু লগতে এই বিষয়টো তেওঁলোকৰ ৱেৱছাইটোতো ঘোষণা কৰিব পাৰে।

স্বনিয়ন্ত্ৰণৰ সৰ্বজনীন স্বীকৃতি : সুশাসন আৰু দায়বদ্ধতাৰ স্থিতিমাপ (য'ত সাংগঠনিক আৰু শাসনকো সামৰি লোৱা হৈছে) চিহ্নিত আৰু সংজ্ঞায়িত কৰা হৈছে। তেওঁলোকে চৰকাৰ, সম্প্ৰদায়, বৰঙণি দাতা আদিকে ধৰি সকলো অংশীদাৰৰ পৰা তেওঁলোকে স্বীকৃতি পাব লাগিব।

অভিযোগ নিষ্পত্তিকৰণ ব্যৱস্থা শক্তিশালী কৰা : এই খণ্ডই মুখামুখি হোৱা আন এক প্ৰধান সমস্যা হৈছে অভিযোগ নিষ্পত্তিকৰণ ব্যৱস্থা নোহোৱা হৈ পৰা। এই খণ্ডই চৰকাৰৰ অভিযোগ/ইছ্যুসমূহ চোৱাচিতাৰ বাবে এজন নোডেল বিষয়া সহ শক্তিশালী অভিযোগ নিষ্পত্তিকৰণ ব্যৱস্থা গঢ়ি তুলিবলৈ অনুৰোধ জনাইছে। ইয়াৰ বাবে যথাযথভাবে নিৰূপণ কৰা নিষ্পত্তিকৰণৰ সময় নিৰ্ধাৰিত থাকিব লাগিব আৰু ইয়াৰ অন্যথা হলে গতিশীল পদ্ধতিৰ বাবে এক ব্যবস্থাও থাকিব লাগিব।

কেন্দ্ৰ আৰু সংশ্লিষ্ট ৰাজ্য সৰকাৰৰ পৰ্যায়াৰ নোডেল এজেন্সি গঠন : এই খণ্ডৰ সৈতে সংশ্লিষ্ট ইছ্যুবোৰ নিষ্পত্তিৰ বাবে এক নোডেল এজেন্সি গঢ়ি তুলিবলৈ চৰকাৰসমূহৰ ওচৰত সমূহীয়াভাৱে আবেদন কৰিব লাগিব। জনসাধাৰণে সহজে পাব পৰাকৈ এই খণ্ডই বাৰ্ষিক কামকাজৰ এক প্ৰতিবেদন তৈয়াৰ কৰিব লাগিব।

স্বেচ্ছাসেৱী সংগঠনসমূহৰ সামৰ্থ্য নিৰ্মাণ : এই খণ্ডক ক্ষতিগ্ৰস্ত কৰা বিধিসমূহ আৰু সেইবোৰৰ ৰূপায়ণৰ ক্ষেত্ৰত বাস্তৱ উদ্বেগবিলাক সম্পৰ্কে বৰ্তমান কোনো উপলব্ধি নাই। কাৰিকৰী/ডিজিটেল দক্ষতাৰ অভাৱত সমস্যাবিলাক বহুগুণ বাঢ়ি গৈছে। সেয়ে তেওঁলোকক ক্ষতিগ্ৰস্ত কৰা বিভিন্ন আইনৰ বিষয়ে উপলব্ধি নিয়মিত ভিত্তিত উন্নত কৰিবলৈ আৰু লগতে তেওঁলোকৰ কাৰিকৰী সামৰ্থ্য শক্তিশালী কৰিবলৈ এই খণ্ডৰ সামৰ্থ্য নিৰ্মাণ কৰাটো দৰকাৰ।

স্বেচ্ছাসেৱী সংগঠনসমূহৰ কামকাজৰ প্ৰণালীবদ্ধ উন্নতকৰণ : এই খণ্ডৰ বিশ্বাসযোগ্যতাক শক্তিশালী কৰিবলৈ অধিক দায়বদ্ধতা আৰু স্বচ্ছতা অৰ্জন কৰিব লাগিব। প্ৰণালীবদ্ধভাৱে উন্নতকৰণৰ জৰিয়তে এই খণ্ডৰ ডিএনএ-ৰ ভিতৰত স্বনিয়ন্ত্ৰণৰ ধাৰণা বিয়পাই দিয়েই এয়া কৰাটো সম্ভৱ। স্বেচ্ছাসেৱী সংগঠন বিলাকৰ উচ্চ মানসম্পন্ন দায়ৱদ্ধতা আৰু স্বচ্ছতাৰ প্ৰতি দেখাপোৱাকৈ আনুগত্য থাকিব লাগিব।

ইয়াৰ লগতে শক্তিশালী সাংগঠনিক আৰু শাসন স্থিতমাপ অৰ্জনৰ জৰিয়তে এটা খণ্ডই তেওঁলোকৰ বিত্তীয় আৰু কমসূচীগত ব্যৱস্থাপনাত কঠোৰ পৰ্যবেক্ষণ আৰু মূল্যায়ন পদ্ধতি তীব্ৰ কৰি তোলা দৰকাৰ। শক্তিশালী নথিকৰণ আৰু সময়মতে প্ৰতিবেদন দাখিল সহ এনে কাৰ্য এই খণ্ডৰ বাবে পৰিপূৰক হ'ব।

**খণ্ডৰ বিত্তীয় স্থিতিশীলতা :** যিহেতু চৰকাৰে বিদেশী বৰঙণি সংকোচন কৰিছে, সেয়ে বৰঙণি সহায়ক কৰ ব্যৱস্থাৰ জৰিয়তে কৰ্পৰেট আৰু ব্যক্তি আদিৰ দৰে অভ্যন্তৰীণ উৎসৰ পৰা এই খণ্ডক ধন সংগ্ৰহত উদগনি দিব লাগিব।

| কেটামান বহল স্থিতিমাপ – এক সমৰ্থ পৰিবেশৰ দিছে | | |
|---|---|---|
| ইছ্যু প্ৰত্যাহ্বান | সমাধান | সক্ষমতা |
| প্ৰদানকাৰী বহিঃপৰিৱেশ | | |
| পুৰণি, অপ্ৰচলিত আৰু/অথবা স্ববিৰোধী নীতি | এটা বিধিৰ বাবে চৰকাৰক সমূহীয়া যুক্তি প্ৰদৰ্শন | চৰকাৰ, VANI VO–ৰ দ্বাৰা সমৰ্থিত |
| | GO-NGO পৰস্পৰমুখী | চৰকাৰ |
| আইনসমূহ ৰূপায়ণত কামকাজ সম্পৰ্কীয় ইছ্যু | তৃণমূল NGO/আওহতীয়া এলেকাৰ NGO বিলাকৰ সামৰ্থ্য নিৰ্মাণ | VANI |
| ভাৱমূৰ্তি উন্নত কৰাৰ প্ৰয়োজন | চৰকাৰ, সম্প্ৰদায়, মিডিয়া, বৰঙণিদাতা NGO/CSO/VO-ৰ সৈতে বিবিধ অংশীদাৰীৰ যোগদান | VO, চৰকাৰ, বৰঙণি দাতা, কৰ্পৰেট, সম্প্ৰদায় |
| দায়বদ্ধতা আৰু স্বচ্ছতাৰ মানৰ নিৰ্দিষ্ট মান নিৰ্ধাৰণ | স্বেচ্ছাসেৱী সংগঠন বিলাকৰ দ্বাৰা স্বনিয়ন্ত্ৰণৰ স্বীকৃতিৰ বাবে চৰকাৰৰ ওচৰত ওকালতি | চৰকাৰ |

| কেটামান বহল স্থিতিমাপ – এক সমৰ্থ পৰিবেশৰ দিছে | | |
|---|---|---|
| ইছ্যু প্ৰত্যাহ্বান | সমাধান | সক্ষমতা |
| অভ্যন্তৰীণ পৰিৱেশ | | |
| অভ্যন্তৰীণ ব্যৱস্থা শক্তিশালীকৰণ | সংগঠনৰ ব্যৱস্থাপনা, শাসন, বিত্তীয় সম্পদ ব্যবস্থাপনা, কৰ্মসূচী ব্যৱস্থাপনা আৰু যোগাযোগৰ বাবে : উচ্চমানৰ প্ৰতি আনুগত্যৰ জৰিয়তে দায়ৱদ্ধতা আৰু স্বচ্ছতা শক্তিশালীকৰণত NGO/CSO/VO বিলাকৰ সামৰ্থ নিৰ্মাণ | VANI |
| সম্পদ আহৰণৰ সুযোগ | | |
| বিদেশী উৎসৰ পৰা ধন সংকোচন | কৰ্পৰেট, ব্যক্তিগত বৰঙণিদাতাৰ দৰে স্থানীয় উৎসলৈ ধনৰ বাবে যোৱা<br><br>বিকল্প উৎসৰ পৰা ধন সংগ্ৰহৰ উপায় উলিয়াবলৈ VO বিলাকৰ সামৰ্থ্য গঢ়ি তোলা<br><br>ব্যক্তিগতভাৱে ধন সংগ্ৰহ কৰিবলৈ উৎসাহিত কৰাৰ বাবে চৰকাৰৰ ওচৰত ওকালতি | VANI, কৰ্পৰেট |

## সূত্ৰসমূহ :

1. Voluntarism and Government Policy, Programme and Assistance, edited by Manoranjan Mohanty, Anil K. Singh
2. A Million Missions - The Non-Profit Sector in India, Mathew Cherian
3. VANI India Publication - Income Tax Act for The Voluntary Sector - A study Report
4. Model Policy on Registration - A Study Report, VANI India Publication
5. IRMA TTI Policy Paper - Voluntary Sector in India: Challenges Opportunities and Voices from the Field, Mathew Cherian (Chief Executive, HelpAge India) Anupama Datta (Director, Policy Research & Development, HelpAge India) Pratik Modi (Institute of Rural Management Anand)

   Internet Sources
6. http://indianexpress.com/article/india/india-others/india-has-31-lakh-ngos-twice-the-number-of-schools-almost-twice-number-of-policemen
7. http://www.mca.gov.in/Ministry/actsbills/pdf/Societies_Registration_Act_186O.pdf
8. http://www.incometaxindia.gov.in/Budgets20and20Bills/2015/Bill_2_2015.pdf
9. fi le:/ *I IC* :/Users/va nilDownloads/CBDT- Draft - Notification -Charitable-Trusts. pdf
10. https://fcraonline.nic.in/home/PDF _Doc/fc_notice_061 02017 .pdf
11. http://www.cbec.gov.in/resourcesllhtdocs-cbec/gstlGST20RATE20APPROVED20BY20GST20Council206.10.2017. pdf;jsessionid = 9099918DB7 3D7C2908C7B7C7DCDF 662D
12. http://document.ccis. nic. in/WriteReadData/CircularPortal/D2/D02csd/lokpal-. pdf
13. Notification No. *12/2017*- Central Tax (Rate) New Delhi, the 28th June, 2017
14. www.indiacode.nic.in/acts2014/120of202014.pdf
15. www.ngosindia.com/resources/ngo_registration
16. www.livemint.com/politics/1 xq1 rJaqruWeVbf2MWmbII/Too-many-NGOs-or-too-littleclassification.html

## VANI পাবলিকেচনৰ তালিকা

- Civil Society Accountability Principles and Practice (India Toolkit) (English)
- Enabling environment for Voluntary Organisations A Global Campaign (English)
- Model Policies for International Good Governance in Voluntary Organizations
- The Hand Book in Good Governance for the Voluntary Sector
- Status of the Voluntary Sector in India A Report
- Status of the Voluntary Sector in India (Primer) English & Hindi))
- Civil Society Engagement in Aid Effectiveness Discourse
- Changing Dynamics Between VOs and Private Sector
- Involving Voluntary Organizations in Governments Plans and Projects
- India's Global Footprints
- India's Development Assistance: Trends, Challenges and Implications for CSOs
- India's Role in the G20: A Civil Society Approach
- Contribution and Challenges of Voluntary Organizations Working on Religious Minority A Primer of the Study Report (English & Hindi)
- Contribution and Challenges of Voluntary Organisations Working with Women A Primer of the Study Report (English & Hindi)
- Role and Contribution of Voluntary Organisations in Health & Nutrition A Primer of the Study Report (English & Hindi)
- Challenges of the Grassroots Voluntary Organisations A Primer of the Study Report (English & Hindi)
- Role and Contribution of Voluntary Organisations on Water & Sanitation A Primer of the Study Report (English & Hindi)
- Contribution and Challenges of Voluntary Organizations Working with Dalits A Primer of the Study Report (English & Hindi)
- Contribution of CSR on Thematic Issues of Education, Health and Nutrition, and Water and Sanitation A Primer of the Study Report (English & Hindi)
- Revisiting the National Policy on Voluntary Sector and Need for a National Policy on Volunteering (English & Hindi)
- Policy Brief of Revisiting the National Policy on Voluntary Sector and Need for A National Policy on Volunteering (English & Hindi)
- Enabling Environment of the Voluntary Sector in India A Study Report (English & Hindi)
- Critical Review of Financial Inclusion - In G20 Countries with Focus on India (English & Hindi)
- Bringing People in from the Cold - Ensuring Inclusive Growth in India (English & Hindi)
- Corruption and Governance in India - Current Status and Way Forward (English & Hindi)
- Sustainable Development in India - Review and Way Forward (English & Hindi)
- India-Africa Partnership: A Civil Society Perspective (English)
- Development Finance and Cooperation in SSC with Special focus on India (English & Hindi)
- Status of Voluntary Organizations in Disturbed States - A Study Report (English & Hindi)
- Model Policy on Registration - A Study Report (English)
- Declaration for Responsible Governance & Management of VOs (Hindi & Hindi)

Civic Engagement Alliance

## নাগৰিক নিৱেশ জোট সম্পৰ্কে (CEA)

নাগৰিক নিৱেশ জোট (CEA) : CEA হৈছে নেদাৰলেণ্ডছৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ (MOFA) দ্বাৰা সমৰ্থিত কৌশলগত অংশীদাৰী কৰ্মসূচী। অংশীদাৰীয়ে নিৰ্ধাৰণ কৰা লক্ষ্য হৈছে এই অংশীদাৰীৰ জৰিয়তে চিভিল ছোচাইটি অৰ্গেনাইজেনছ (CSO) আৰু সাধাৰণভাৱে চিভিল ছোচাইটিয়ে 'গ্লোবেল ছাউথ' আৰু সামগ্ৰিক গ্লোবেল পৰিপ্ৰেক্ষিত উভয় ক্ষেত্ৰত যাতে ন্যায়সংগত অৰ্থনৈতিক আৰু সামাজিক উন্নয়নৰ বাবে সমাজত অসাম্য আৰু অন্যায় হ্ৰাসৰ ক্ষেত্ৰত বৰঙণি আগবঢ়াব পাৰে। এই অংশীদাৰীৰ কেন্দ্ৰ হৈছে তেওঁলোকৰ সম্প্ৰদায়ত পৰিচালক হিচাপে মহিলাক (উৎপাদনশীল) লগতে তত্ত্বাৱধায়ক আৰু নিৰ্দিষ্ট চাহিদা থকা উপভোক্তাসকল। CEA কৰ্মসূচীৰ অধীনত এটা গুৰুত্বপূৰ্ণ উপায় হৈছে চিভিল ছোচাইটি সংগঠনবিলাকৰ কাৰণে পৰিসৰ সৃষ্টিত সহায় কৰা।

VANI
Celebrating 30 years
VOICE OF THE VOLUNTARY SECTOR

## ভলান্টাৰি একচন নেটৱৰ্ক ইণ্ডিয়া (VANI) সম্পৰ্কে

ভলান্টাৰি একচন নেটৱৰ্ক ইণ্ডিয়া হৈছে স্বেচ্ছাসেৱী সংগঠনসমূহৰ সৰ্বোচ্চ সংস্থা।

- স্বেচ্ছাসেৱী খণ্ডৰ প্ৰম'টাৰ/ৰক্ষক আপু সমূহীয়া কন্ঠৰ হৈ কাম কৰাৰ বাবে 1988 চনত প্ৰতিষ্ঠা কৰা হৈছে।
- ভাৰতৰ 25 খন ৰাজ্যত 10,000 বেচৰকাৰী সংগঠনৰ ভেটি প্ৰসাৰিত হৈছে।
- স্বেচ্ছাসেৱী খণ্ডৰ সৈতে সংশ্লিষ্ট আৰু এই বিষয়ত প্ৰকাশনা, গৱেষণা কাৰ্য, নিবন্ধ, গুৰুত্বপূৰ্ণ নথি আৰু তথ্যৰ বাবে সূত্ৰ কেন্দ্ৰ (ৰিছোৰ্চ চেন্টাৰ)।

উদ্দেশ্যসমূহ :

- প্লেটফৰ্ম হিচাপে, স্বেচ্ছাসেৱিতাক উদগনি আৰু স্বেচ্ছামূলক কাৰ্যৰ বাবে পৰিসৰ সৃষ্টি।
- নেটৱৰ্ক হিচাপে, ভাৰতত সঁচাকৈ স্বেচ্ছামূলক কামকাজৰ ৰাষ্ট্ৰীয় এজেন্ডা নিৰ্মাণৰ বাবে উমৈহতীয়া বিভাগীয় ইছ্যু আৰু উদ্বেগসমূহ এক সম্পৃক্তকৰণৰ বিষয়ে প্ৰচেষ্টা চলোৱা। তদুপৰি ভাৰতীয় স্বেচ্ছাসেৱী খণ্ডৰ বিভিন্ন প্ৰচেষ্টা আৰু উদ্যোগসমূহৰ সংযোগক সহজ কৰা, যিটো এক ঐক্যবদ্ধ আৰু পৰিবৰ্তনৰ স্থিতিশীল আন্দোলনক শক্তিশালী কৰাত সক্ষম হৈছে।
- এক সংস্থা হিচাপে মূল্যভিত্তিক স্বেচ্ছাসেৱী কাৰ্য আৰু বিশেষভাৱে আমাৰ সদস্যসকলৰ মাজত দীৰ্ঘম্যাদী স্থিতিশীলতা উন্নতিবিধানৰ লক্ষ্যেৰে কাম কৰা। কামৰ এলেকা স্বেচ্ছাসেৱী খণ্ডত সুশাসনৰ প্ৰয়োগ উন্নত কৰা।

নেটৱৰ্ক শক্তিশালী কৰা।

- এই খণ্ডৰ স্বাধীন কন্ঠক স্পষ্ট কৰি তোলা।
- স্বেচ্ছাসেৱী খণ্ডক ক্ষতিগ্ৰস্ত কৰা নীতিসমূহ আৰু আইনৰ সম্পৰ্কে গৱেষণা আৰু যুক্তি প্ৰদৰ্শন।

ভলান্টাৰি একচন নেটৱৰ্ক ইণ্ডিয়া (VANI)
VANI হাউছ, 7 PSP পকেট
ছেক্টৰ – 8, দ্বাৰ্কা, নতুন দিল্লী 110 077
ফোন : 011-40391661, 40391663
টেলিফেক্স : 011-49148610
ইমেল : info@vaniindia.org Website: www.vaniindia.org